# সত্ৰীয়া নৃত্য ঃ ঐতিহ্য আৰু সমকাল

—লোকেন্দ্ৰ হাজৰিকা

সত্ৰীয়া নৃত্য অসমৰ সাংস্কৃতিক ইতিহাসত এক অভিনৱ সাংস্কৃতিক সম্পদ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ইয়াৰ স্ৰষ্টা। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেৰাৰ প্ৰিয় শিষ্য মহাপুৰুষ মাধৱদেৱ গুৰু দুজনৰ নেতৃত্বত এই নৃত্যই পঞ্চদশ শতিকাৰ পৰা প্ৰসাৰতা লাভ কৰিবলৈ ধৰে। পঞ্চদশ শতিকাত মহাপুৰুষ শংকৰদেৱে জ্বলাই থৈ যোৱা নৱবৈষ্ণৱ ধৰ্মৰ পৱিত্ৰ বন্তিগছি যিদৰে আজিও অনিৰ্বাপিত ৰূপত প্ৰজ্বলিত হৈ থাকি অসমৰ গৌৰৱ ধ্বজা উজলাই ৰাখিছে ঠিক একেদৰে ইয়াৰ লগত নিবিড়ভাৱে জড়িত সত্ৰীয়া নৃত্যইও অসমৰ সাংস্কৃতিক ইতিহাসত মহাপুৰুষ জনাৰ প্ৰতিভাক অম্লান কৰি ৰাখিছে। মহাপুৰুষ গুৰুজনাৰ দ্বাৰা প্ৰৱৰ্তিত সত্ৰৰ নিৰ্দিষ্ট পৰিসৰ আৰু ৰীতি-নীতিৰ মাজত সত্ৰীয়া নৃত্যই জন্মলাভ কৰি তাৰ মাজতেই ইয়াৰ ক্ৰমবিকাশ হ'বলৈ ধৰে যদিও অতি সাম্প্ৰতিক সময়ত ইয়াৰ পৰিসৰ কিন্তু সত্ৰৰ মাজতেই আবদ্ধ হৈ থকা নাই। বৰ্তমান দেশ-বিদেশতো সত্ৰীয়া নৃত্যই স্বকীয় বৈশিষ্ট্যৰে উদ্ভাৱিত হৈ পৰিবলৈ সক্ষম হোৱাটো অসমৰ বাবে অতি শুভ লক্ষণ। যোৱা ২০০০ চনৰ ১৪ নৱেম্বৰ তাৰিখে অসম গৌৰৱ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ সভাপতিত্বত ভাৰতৰ 'সংগীত নাটক একাডেমী'য়ে সত্ৰীয়া নৃত্যক ৰাষ্ট্ৰীয় মৰ্যাদা প্ৰদান কৰি যেন ইয়াৰ মৰ্যাদা আৰু গুৰুত্ব আৰু অধিক বঢ়াই তুলিলে।

সত্ৰীয়া নৃত্য সম্পৰ্কে আলোচনা কৰাৰ পূৰ্বে আমি 'সত্ৰ' শব্দটোৰ উৎপত্তি সম্পৰ্কে কিছু কথা আলোচনা কৰাটো বাঞ্ছনীয়। অসমৰ সত্ৰৰ উৎপত্তিৰ ক্ষেত্ৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱকেই ইয়াৰ প্ৰৱৰ্তক বুলি কোৱা হয় যদিও প্ৰকৃততে ই এটা বৈদিক শব্দ। অৰ্থাৎ বেদতো 'সত্ৰ' শব্দৰ প্ৰয়োগ ঘটা দেখা যায়। আকৌ বেদোত্তৰ কালৰ মহাভাৰত, ভাগৱত আদিতো 'সত্ৰ' শব্দৰ ব্যৱহাৰ ঘটাটো লক্ষণীয়। অৱশ্যে এই ক্ষেত্ৰত মন কৰিবলগীয়া যে, বেদ, ভাগৱত, মহাভাৰত তথা মহাপুৰুষ গুৰুজনাই অসমত প্ৰৱৰ্তন কৰা 'সত্ৰ' শব্দৰ ব্যৱহাৰিক দিশত কিছু পাৰ্থক্য আছে। 'কৃষ্ণ যজুৰ্বেদ'ৰ সপ্তম কাণ্ডৰ চতুৰ্থ প্ৰ-পাঠকৰ নৱম শ্লোকত 'সত্ৰ' শব্দ প্ৰয়োগ কৰি তাৰ অৰ্থ দাঙি ধৰিছে এইদৰে— "সংবৎসৰ সত্ৰৰ অনুষ্ঠানকাৰী স্বৰ্গমন কৰে। তাৰ যোগ্যতাৰ কাৰণে দীক্ষাৰ দ্বাৰা নিজ দেহ প্ৰজ্বলিত আৰু পাক কৰিব লাগে। ইয়াত দীক্ষা আৰু দক্ষিণা অনুষ্ঠানৰ কথা কোৱা হৈছে।"[১] বেদ আৰু মহাভাৰতত আকৌ 'সত্ৰ' শব্দটো যথাৰ্থতহে ব্যৱহাৰ কৰিছিল। কিন্তু 'শ্ৰীমদ্ভাগৱত' পুৰাণত 'সত্ৰ' শব্দৰ অৰ্থ অন্য ধৰণৰ। ইয়াত উল্লেখ আছে—

"নৈমিশেহ নিমিষে ক্ষেত্ৰে ঋষয়ঃ শৌনকাদয়ঃ।

সত্ৰং স্বৰ্গায় লোকয় সহস্ৰ সমমাসত।।"

মহাপুৰুষ শংকৰদেৱে তাৰ ভাঙনি কৰিছে—

"আঠাইশ সহস্ৰ ঋষি বেদত প্ৰধান।
বিষ্ণুৰ নৈমিষ তীৰ্থ পূণ্য স্থান।।
মান্য কৰি সুতক পাতিলা সত্ৰ তথা।
শৌনক প্ৰমুখ্যে শুনে ভাগৱত কথা।।"

ভাগৱতীয় 'সত্ৰ' শব্দটোৰ অৰ্থৰ ক্ষেত্ৰত অৱশ্যে কিছু পৰিমাণৰ পাৰ্থক্য সোমাই পৰে। যথা—

"বহুভ্যঃ দীয়তে সত্ৰ তৃপ্যন্তি প্ৰানিনঃ বহু।
কৰ্ত্তাৰো বহবো যত্ৰ তৎ সত্ৰমভিধীয়তে।।"

(য'ত বহু দান দক্ষিণা কৰা হয়, য'ত বহু প্ৰাণীয়ে তৃপ্তি লাভ কৰে আৰু য'ত বহু কৰ্তা ব্যক্তি থাকে তাকেই সত্ৰ বোলে।)

কিন্তু 'শৰণ মালিকা' নামৰ কাব্যত আকৌ ব্যাখ্যা কৰিছে এনেদৰে—

"যত্ৰাচৰন্তি সৎ ধৰ্ম্মান কেৱলাঃ ভগৱৎ প্ৰিয়াঃ।
নৱধা ভগৱৎ ভক্তিঃ প্ৰত্যহংযত্ৰ বিদ্যতে।
তৎ সত্ৰং উত্তমং ক্ষেত্ৰং বৈষ্ণৱং সুৰ বন্দিতম্।
তত্ৰস্থাঃ বৈষ্ণৱাঃ সৰ্ব্বে হৰিনাম পৰায়ণাঃ।।
(শৰণ মালিকা)

(যি স্থান দেৱতা আৰু বৈষ্ণৱৰ দ্বাৰা বন্দিত, যি স্থানত একান্ত ভক্তসকলে ঈশ্বৰৰ প্ৰিয় কাৰ্য সাধন কৰে আৰু যি স্থানত দৈনন্দিন নৱবিধা ভক্তিয়ে বিৰাজ কৰে সেই স্থানকেই সত্ৰ বুলি কোৱা হয়। তাত বাস কৰা সকলো লোকেই হৰি নাম পৰায়ণ।)

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে 'সত্ৰ' নামৰ অনুষ্ঠানটিৰ প্ৰৱৰ্তন কৰিবলৈ যোৱাৰ ক্ষেত্ৰতো দেখা যায় তেৰাই প্ৰধানতঃ ভাগৱতত বৰ্ণিত 'সত্ৰ'ৰ অৰ্থকেই গ্ৰহণ কৰিছিল যদিও বহু সময়ত স্বকীয় ভাৱধাৰাকো প্ৰতিষ্ঠা কৰিছে।

সংগীত কি এই সম্পৰ্কে খ্ৰীঃ ত্ৰয়োদশ শতিকাতেই শাৰংগদেৱে তেওঁতৰ 'সঙ্গীত ৰত্নাকৰ' নামৰ সংগীত সম্পৰ্কীয় মহামূল্যবান গ্ৰন্থখনিত উল্লেখ কৰি থৈ গৈছে। শাৰংগদেৱে উল্লেখ কৰা অনুযায়ী "গীতং বাদ্যং তথা নৃত্যং এয়ং সঙ্গীতসূচ্যতে"। (গীত, নৃত্য আৰু বাদ্য এই তিনিওবিধ কালকে একেলগে সংগীত বুলি কোৱা হয়।)শাৰংগদেৱে ইয়াৰ ব্যুৎপত্তিগত অৰ্থত দি গৈছে যে গীত শব্দৰ লগত 'সম' উপসৰ্গ সংযোগ হৈ (সম + গীত) সংগীত হৈছে। ভাৰতীয় পৰম্পৰাত গীত (কণ্ঠ সংগীত)ৰ স্থান প্ৰথম। ইয়াৰ পিছতেই বাদ্যৰ স্থান। কিয়নো গীতক অনুকৰণ কৰে বাদ্যই। সেয়ে বাদ্যৰ স্থান দ্বিতীয়। একেবাৰে অন্তিম স্থান হৈছে নৃত্যৰ। কাৰণ গীত আৰু বাদ্যৰ অবিহনে নৃত্য সম্ভৱ নহয়। সেয়ে শাৰংগদেৱে 'সঙ্গীত ৰত্নাকৰ'ত কৈ গৈছে।

"নৃত্যং বাদ্যনুগং প্ৰোক্তং গীতানুবৃত্তি চ।
অতো গীত প্ৰাধানত্বাদত্ৰা দাৱভিধীয়তে।।"
(ৰাগ সংগীত)[2]

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰৱৰ্তন কৰা সত্ৰীয়া নৃত্যৰ পৰিধি অতি বিশাল। ইয়াক এটা প্ৰবন্ধৰ ভিতৰত সামৰিবলৈ যোৱাটো গুৰুজনাৰ ভাষাৰেই 'হাতী মাৰি ভুৰুকাত ভৰোৱাৰ' দৰেহে হ'ব, যিটো কেৱল মহাপুৰুষজনাৰ বাবেহে সম্ভৱ হ'ব পাৰে। তেৰাই সত্ৰৰ মজিয়াত সৃষ্টি কৰা সত্ৰীয়া নৃত্যৰ প্ৰৱৰ্তন কৰিবলৈ যাওঁতে অসমৰ পৰম্পৰাগত লোক নৃত্য, লোক নাট্য, পৰিৱেশ্য কলা আদিৰ প্ৰতি যে একেবাৰে পৰাংমুখ আছিল এনে নহয়, বৰং তেৰাই এই সমূহৰ জৰিয়তে নব্য পৰিশলিত নৃত্য ধাৰাৰ সৃষ্টি কৰিছিল। অৱশ্যে এই ক্ষেত্ৰত এটা কথা মন কৰিবলগীয়া যে, "লোক কৃষ্টিৰ সাধাৰণ উত্তৰণেই লোক সংস্কৃতি। লোক সংস্কৃতিৰ পৰিমাৰ্জনাৰ জৰিয়তে শাস্ত্ৰীয় সংস্কৃতিৰ জন্ম হয়।"[3] সত্ৰীয়া সংস্কৃতি আৰু ইয়াৰ অন্তৰ্গত সত্ৰীয়া নৃত্যও ইয়াৰ ব্যতিক্ৰম নহয়।

শংকৰদেৱে অসমত সত্ৰীয়া নৃত্যৰ প্ৰৱৰ্তন আৰু প্ৰচলন কৰাৰ বহু পূৰ্বৰে পৰা প্ৰাচীন প্ৰাগ্‌জ্যোতিষপুৰৰ চিত্ৰ সংগীত, ভাস্কৰ্য আদিৰ মাজতো ইয়াৰ যথেষ্ট নিদৰ্শন পোৱা যায়। একেদৰে শোণিতপুৰ জীয়ৰী চিত্ৰলেখাই নৃত্যৰে মোহিত কৰি শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধক দ্বাৰকাৰ পৰা শোণিতপুৰলৈ হৰণ কৰি



আনিছিল। কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালত (৭ম শতিকা) হিউয়েন চাঙক অভ্যৰ্থনা জনাবলৈ এমাহ জোৰা নৃত্য-বাদ্য-সংগীতৰ আয়োজন কৰাৰ কথা কামৰূপ সম্পৰ্কে লিখা হিউয়েন চাঙৰ টোকাত উল্লেখ পোৱা যায়। ভৰত মুনিৰ শাস্ত্ৰত চাৰি প্ৰকাৰ প্ৰবৃত্তিৰ বৰ্ণনা দিয়া আছে। নেপাল, বংগ আৰু প্ৰাগজ্যোতিষপুৰত ইয়াৰ বহুল প্ৰচলন আছিল। পুৰণি অসমৰ নৃত্য কলাৰ বিশেষভাৱে তিনিটা শৈলী পোৱা যায়— (ক) সভাগোৱা বা ৰংগোৱা ওজাপালি, (খ) দেওঘৰৰ নট নৃত্য আৰু (গ) সত্ৰীয়া নৃত্য। তিনিওটা শৈলীৰ মাজতেই পাৰস্পৰিক মিল থকা দেখা যায়। প্ৰণিধানযোগ্য যে "এটা জাতিৰ প্ৰাণ প্ৰতিষ্ঠা হয় ধৰ্মমতৰ দৃঢ় স্থিতিত জাতি শক্তিশালী হয় সাহিত্য কলাত চহকী হ'লে, জাতি সুৰুচিপূৰ্ণ হয় সংগীত, নৃত্য, কলাৰ বিকাশ ঘটিলে।"[4] মহাপুৰুষ শংকৰদেৱেও অসমীয়া জাতিটোক সুদৃঢ় আৰু শক্তিশালী কৰিবৰ কাৰণে পঞ্চদশ শতিকাত প্ৰৱৰ্তন কৰিছিল নৱবৈষ্ণৱ ধৰ্ম আৰু নৱবৈষ্ণৱ ধৰ্মক আশ্ৰয় কৰিয়েই তেৰাই জাতিটোক ৰুচিসম্পন্ন কৰি তুলিবৰ কাৰণেই সৃষ্টি কৰিছিল নৃত্য, নাট্য, গীত, ভটিমা আদিৰ। কেৱল প্ৰচাৰৰ বাবেই তেৰাই এই সমূহ প্ৰৱৰ্তন কৰা নাছিল। নিজৰ অসীম প্ৰতিভাৰে কলাসম্মত ৰূপত প্ৰতিষ্ঠা কৰা সত্ৰীয়া নৃত্যক তেৰাই নিজে সত্ৰীয়া নৃত্য বুলি কোৱা নাছিল, পৰৱৰ্তী কালতহে ই 'সত্ৰীয়া নৃত্য' অভিধাৰে অসম মলুকত ইয়াৰ প্ৰসাৰতা ঘটিবলৈ ধৰিলে।

সত্ৰীয়া নৃত্যনো কি? এই কথাটোৰ বিচাৰ কৰিবলৈ গ'লে দেখা যায় 'সত্ৰীয়া' শব্দটো এটা অৰ্বাচীন শব্দ, অথচ বিশেষত্ববাচক শব্দ। ভাগৱত পুৰাণত গুৰুজনাই ভাঙণি কৰিছে—

"মোৰ যশ গয়া যিটো কৰে গীত নৃত্য।
নহি তাৰ শঙ্কা সিটো ভৈলা কৃত্য কৃত্য।।"[5]

ভাগৱতৰ এই সূত্ৰ অনুধাৱন কৰিয়েই হয়তো শ্ৰীশ্ৰীশংকৰদেৱে স্বকীয় প্ৰতিভাৰে এক অভিনৱ নৃত্য ধাৰাৰ সৃষ্টি কৰিছিল যাক পৰৱৰ্তী কালত নাম দিয়া হৈছিল সত্ৰীয়া নৃত্য। ইয়াৰ উৎপত্তি উৎস হৈছে অংকীয়া নাটসমূহ। অৰ্থাৎ মহাপুৰুষ শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱ পুৰুষৰ দ্বাৰা বিৰচিত অংকীয়া নাটসমূহৰ পৰাই সত্ৰীয়া নৃত্যৰ সৃষ্টি হোৱা বুলি কোৱা হয়। অংকীয়া নাটসমূহত পৰিৱেশন কৰা কৃষ্ণ নৃত্য, গোপী নৃত্য, সূত্ৰধাৰী নৃত্য, ৰামৰ নৃত্য, বাহাৰ নৃত্য প্ৰভৃতি নৃত্যসমূহৰ আধাৰতেই চালি নৃত্য, ঝুমুৰা নৃত্য, বৰপ্ৰৱেশ নৃত্য, ভোজন বাহাৰ নৃত্য আদিৰ দৰে নৃত্যসমূহৰ উৎপত্তি হৈছে। ইয়াত 'নৃত্ত', 'নৃত্য', 'নাট্য'—এই তিনিওটা শব্দৰে প্ৰয়োগ কৰা দেখা যায়। গতিকে সত্ৰীয়া নৃত্য ভাৰতীয় উচ্চাংগ নৃত্যৰ অন্তৰ্গত এটা নৃত্য।

সত্ৰীয়া নৃত্যৰ কেন্দ্ৰীয় চৰিত্ৰ হ'ল কৃষ্ণ ('কৃষ্ণস্তু ভগৱান স্বয়ম্' ভাগৱতঃ দ্বিতীয় স্কন্ধ), অৰ্থাৎ ভগৱান কৃষ্ণক কেন্দ্ৰ কৰিয়ে এই নৃত্য ধাৰাৰ সৃষ্টি হৈছে। এই নৃত্যৰ মূল উদ্দেশ্য হৈছে ভগৱদ্ প্ৰাপ্তিৰ দুৰন্ত বাসনা। নৃত্যকৰ (নাট-নটী) সকলে দেহৰ অংগ-প্ৰত্যংগ সমূহৰ সঞ্চালনৰ মাধ্যমেৰে ভগৱানৰ চৰণত নিমজ্জিত হৈ পৰাটোৱেই সত্ৰীয়া নৃত্য। শ্ৰীকৃষ্ণ হৈছে ভগৱান আৰু নট-নটীসকল ভক্ত। ভক্তৰ প্ৰধান ইপ্সিত বস্তুৱেই হৈছে ভগৱান। গতিকে এই নৃত্যৰ মাধ্যমেৰে ভগৱান আৰু ভক্তৰ মাজত এক স্বৰ্গীয় মিলন সংস্থাপিত হয় অৰ্থাৎ জীৱাত্মা আৰু পৰমাত্মাৰ মাজত মিলন ঘটে।

সত্ৰীয়া নৃত্য পঞ্চদশ শতিকাৰ নৱবৈষ্ণৱ ধৰ্মৰ এক যুগজয়ী ফল। মহাপুৰুষ শংকৰ-মাধৱ গুৰু দুজনাই ভক্তি ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেই ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ সম্পদক আশ্ৰয় কৰি এই নৃত্য ধাৰাৰ সৃষ্টি কৰিছিল। পৰৱৰ্তী কালত তেৰাসৱৰ পথানুগামী শিষ্য প্ৰশিষ্যসকলৰ প্ৰচেষ্টাত ইয়াৰ ক্ৰমবিকাশ ঘটিবলৈ লয়।

নাট্যশাস্ত্ৰৰ জনক ভৰত মুনিয়ে নৃত্যৰ কৰণ সম্পৰ্কে নাট্য শাস্ত্ৰত দিয়া মত অনুসৰি দুই হস্ত আৰু

দুই পদৰ সঞ্চালনৰ সমন্বয়ত নৃত্যৰ কৰণ নিষ্পন্ন হয়। নাট্য শাস্ত্ৰমতে কৰা ১০৮ প্ৰকাৰ আৰু ইয়াৰ সৃষ্টিকৰ্তা স্বয়ং নটৰাজ বুলি কোৱা হয়। (পাঠকৰ সুবিধাৰ বাবে তলত ক্ৰম অনুসৰি কৰণসমূহৰ নাম উল্লেখ কৰিলো। তলপুষ্পপুট, বৰ্ত্তিত, বলিতোৰু অপবিদ্ধ, সমনখ, লানি, স্বস্তিকৰেচিত, মণ্ডলস্বস্তিক, নিকু ট্ৰক, অৰ্দ্ধনিকুট্ৰক, কটিচ্ছিন্ন, অৰ্দ্ধৰেচি, বক্ষঃ স্বস্তিক, উন্নত্তম, স্বস্তিক, পৃষ্ঠস্বস্তিক, দিকস্বস্তিক, অলাত, কটীসম, আক্ষিপ্তৰেচিত, বিক্ষিপ্তাক্ষিপ্তক, অৰ্দ্ধমতাল্লি, ৰেচননিকুট্ৰত, পদাপবিদ্ধক, বলিত, ঘূৰ্ণিত, ললিত, দণ্ডপক্ষ, ভূজঙ্গ-ত্ৰস্তৰেচিত, নূপুৰ বৈশাখৰেচিত, ভ্ৰমৰক, চতুৰ, ছিন্ন, ভূজঙ্গাঞ্চিতক, দন্তকৰেচিত, বৃশ্চিক-কুট্ৰিত, কটিভ্ৰান্ত, লতাবৃশ্চিক, বৃশ্চিকৰেচিত, বৃশ্চিক, ব্যাংসিত, পাশ্বনি কুট্ৰিত, ললাটিতিলক, ক্ৰান্ত, কুঞ্চিত, চক্ৰমণ্ডল, উৰোমণ্ডল, আক্ষিপ্ত, তলবিলাসিত, আৰ্গল, বিক্ষিপ্ত, আবৰ্ত্ত, দোলপাদ, নিবৃত্ত, বিনিবৃত্ত, পাশ্চক্ৰান্ত, নিস্তম্ভিত বিদ্যুৎভ্ৰান্তি, অতিক্ৰান্ত, বিবৰ্ত্তিত, গজক্ৰীড়িতক, তলসংস্ফোটিত, গৰুড়প্লুটক, গণ্ডসূচী, পৰিবৃত্ত, পাৰ্শ্বজানু, গধ্ৰাবলীনক, সন্নত, সূচী, অৰ্দ্ধসূচী, সূচীবিদ্ধ, অপক্ৰান্ত, ময়ূৰ, ললিত, সৰ্পিত, দণ্ডপাদ, হৰিনপ্লুত, প্ৰেংখো-লিত, নিতম্ব, স্খলিত, কৰিহস্ত, সমপিত, সমুদ্দিষ্ট, সিংহ বিক্ৰীড়ি, সিংহাকৰ্ষিত, উদবৃত্ত, উপসৃত, তলসংঘট্ৰিত, জনিত, অবহিত্থক, নিবেশ, এড়কাক্ৰীড়িত, উৰুদবৃত্ত, মদস্খালিতক, বিষ্ণুক্ৰান্ত, সংভ্ৰান্ত, বিস্কম্ভ, উদঘাটিত, বৃষভক্ৰীড়িত, লোলিত, নাগাপাসৰ্পিত, শকটাস্য আৰু গঙ্গাৱতৰণ।) ভৰত মুনিৰ নাট্যশাস্ত্ৰত যদিও ১০৮ প্ৰকাৰ কৰণৰ কথা উল্লেখ কৰা আছে, মহাপুৰুষ শংকৰদেৱৰ সৃষ্ট সত্ৰীয়া নৃত্যত ইয়াতকৈ অধিক কৰণ থকাৰ কথা পোৱা যায়। কিন্তু সত্ৰীয়া নৃত্যৰ পণ্ডিত তথা বিশেষজ্ঞসকলে ভৰত মুনিৰ নাট্য শাস্ত্ৰৰ লগত সংগতি ৰাখি সত্ৰীয়া নৃত্যৰ মাটি আখৰা ১০৮ প্ৰকাৰৰ কথা উল্লেখ কৰিছে। অৱশ্যে মাটি আখৰা আৰু কেইবাখনো থকাৰ কথাও বিজ্ঞসকলে উল্লেখ কৰিলেও মতৰ ভিন্নতা থকা দেখা যায়। সেয়ে সত্ৰীয়া নৃত্যৰ বিষাৰদসকলে নাট্যশাস্ত্ৰৰ ১০৮ প্ৰকাৰ কৰণৰ লগত মিল ৰাখি ১০৮ প্ৰকাৰ মাটি আখৰাও কৰা হৈছে যদিও আৰু অতিৰিক্ত ১২ খন মাটি আখৰা পোৱা যায়। সেয়ে বৰ্তমান সময়ত সত্ৰসমূহত সত্ৰীয়া নৃত্যত ১০৮ খন মাটি আখৰাৰ লগত অতিৰিক্ত ১২ খন আখৰা সংযোগ কৰি প্ৰচলিত হৈ থকা দেখিবলৈ পোৱা যায়।

সি যি কি নহওক, সত্ৰীয়া নৃত্যৰ ক্ষেত্ৰত দেখিবলৈ পোৱা যায় যে, আধ্যাত্মিক ভাৱক মূল সম্পদ স্বৰূপে লৈ প্ৰাক্ কালত সত্ৰৰ মজিয়াতেই চৰ্চা আৰু অনুশীলন কৰি ভগৱানক সন্তুষ্ট কৰিবৰ কাৰণে আৰু ব্যৱহাৰিক দিশৰ প্ৰতি লক্ষ্য ৰাখি গায়ন-বায়ন বা জোৰা, ওজাপালি, নটুৱা, ঝুমুৰা, চালি, নাদুভংগী, মানচোক, ভোৰতাল নৃত্য আদিকেই সত্ৰীয়া নৃত্য বুলি ঠাৱৰ কৰা হৈছে। তাৰোপৰি "অংকীয়া নাটসমূহত অন্তৰ্ভূক্ত সূত্ৰধাৰী নৃত্য, গোসাঁই চান, প্ৰৱেশৰ নাচ, বাহাৰ নাচ, যুদ্ধৰ নাচ, ৰাস নৃত্য বা গোপী নাচ আদিও সত্ৰীয়া নৃত্যৰ অন্তৰ্ভুক্ত। সাম্প্ৰতিক সময়ত সত্ৰীয়া নৃত্যই কেৱল অসমতেই বা ভাৰততেই নহয় সুদূৰ ফ্ৰান্স আদি বিদেশতো ইয়াৰ প্ৰসাৰতা বৃদ্ধি পাইছে। ই শুভ লক্ষণ। ইয়াৰ অন্তৰ্নিহিত আধ্যাত্মিক ভাৱধাৰাক বিশ্ব মানসত ফুটাই তুলিব পাৰিলে নিশ্চয় এই যুগজয়ী নৃত্যধাৰাই বিশ্বৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হ'ব।

পাদটীকা ঃ

১। সত্ৰীয়া নৃত্যৰ ৰূপৰেখা (প্ৰথম খণ্ড) শ্ৰীগোবিন্দ শইকীয়া, ২০০৯, পৃঃ ১৬

২। ৰাগসঙ্গীত ঃ বীৰেন্দ্ৰ কুমাৰ ফুকন, ২য় প্ৰকাশ, ১৯৯২, পৃঃ ৭

৩। লোক সংস্কৃতি (প্ৰবন্ধ) ড° নবীন চন্দ্ৰ শৰ্মা।

৪। সত্ৰীয়া নৃত্যৰ তাত্ত্বিক জ্ঞান ঃ (দ্বিতীয় ভাগ ঃ তৃতীয় অধ্যায়) শ্ৰীগোপাল চন্দ্ৰ বৰদলৈ, দ্বিতীয় প্ৰকাশ, ২০০৪, পৃঃ ১১।

৫। দ্বাদশ স্কন্ধ শ্ৰীমদ্ভাগৱত ঃ একাদশ স্কন্ধ ঃ প্ৰকাশক- সাহিত্যাচাৰ্য হৰিনাৰায়ণ দত্তবৰুৱা।



সহায়ক গ্ৰন্থ ঃ


১,২। বৰদলৈ, গোপাল চন্দ্ৰ ঃ সত্ৰীয়া নৃত্যৰ তাত্ত্বিক জ্ঞান ঃ (প্ৰথম খণ্ড, দ্বিতীয় খণ্ড), ইষ্টাৰ্ণ অফছেট প্ৰিণ্টাৰ্চ, দ্বিতীয় প্ৰকাশ, মাৰ্চ-২০০৪

৩। মহন্ত, ড° জগন্নাথ; সত্ৰীয়া নৃত্যৰ কথা ঃ অসম সাহিত্য সভা ঃ সম্পাদনা ঃ ড° প্ৰদীপজ্যোতি মহন্ত; ১৭ ফেব্ৰুৱাৰী, ২০০৫

৪। শইকীয়া, শ্ৰীগোবিন্দ ঃ সত্ৰীয়া নৃত্যৰ ৰূপৰেখা ঃ (প্ৰথম খণ্ড) ঃ ভৱানী অফ্ছেট এণ্ড ইমেইজিং ছিষ্টেমছ্ প্ৰাঃ লিঃ ২০০৯

৫। ফুকন, বীৰেন্দ্ৰ কুমাৰ ঃ ৰাগ সংগীত ঃ শ্ৰুতি, বামুণীমৈদাম, ১৯৯২

৬। মহন্ত, বাপচন্দ্ৰ ঃ (সম্পাদনা); বৰগীত, ষ্টুডেণ্টচ্ ষ্টৰচ, ১৯৯২

৭। শৰ্মা, শ্ৰীসত্যেন্দ্ৰ নাথ, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ১৯৮৯

৮। শইকীয়া, লক্ষ্মী; সংগীত মঞ্জৰী ❖❖


## মহৎ লোকৰ বাণী

সংগ্ৰাহক ঃ শিৱানী দেৱী
স্নাতক দ্বিতীয় বৰ্ষ

১। কোনো বৈপ্লৱিক সংগ্ৰাম কেতিয়াও সফল হৈ নুঠে যদিহে তাত তিৰোতাসমাজে অংশ গ্ৰহণ নকৰে। —লেলিন।

২। আদৰ্শৰ নামত সমাজত পৰম্পৰাগতভাৱে চলি অহা ৰীতি-নীতিৰে মানি চলাটোকে আদৰ্শ নোবোলে, আদৰ্শ আচলতে জীৱনক উচ্চতৰ আৰু বিশালতাৰ স্তৰলৈ উত্তৰণ ঘটোৱা এক প্ৰকাৰৰ গতিধৰ্মী দৃষ্টিভংগী। —ড০ প্ৰহ্লাদ কুমাৰ বৰুৱা।

৩। মানুহে নিজ কৰ্মদোষত দৰিদ্ৰ মাকৰ দোষত ৰুগীয়া আৰু দেউতাকৰ দোষত মূৰ্খ হয়। —চানক্য।

৪। ক্ষুধাৰ্ত মানুহক ধৰ্মৰ কথা কোৱা বা শুনোৱা বা দৰ্শন শাস্ত্ৰ পঢ়োৱাটো হ'ল তেওঁক অপমান কৰা। —স্বামী বিবেকানন্দ।

৫। পৰনিন্দা ব্যাভিচাৰতকৈ হানিকৰ। —হজৰত মহম্মদ।

৬। সমাজৰ অৰ্দ্ধাংশ পাকঘৰত আবদ্ধ কৰি থৈ কোনো দেশেই প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে। —লেনিন।

৭। বিশ্বৰ বাবে প্ৰয়োজন খাদ্য, আশ্ৰয়, মৰম, চেনেহ, প্ৰাৰ্থনা, শান্তি আৰু ঐক্যৰ বাহ্বান। —মাদাৰ টেৰেছা।

৮। যি প্ৰেম সদায় একে সেই প্ৰেমেই সঁচা প্ৰেম। —গ্যেটে।

৯। প্ৰেম হ'ল ফুলৰ দৰে, ই ফুলি উঠে আকৌ মৰহি যায়। যদি সেয়ে নহয় তেন্তে বুজিব লাগিব যে ই প্ৰকৃত ফুল নহয়, নিশ্চয় ফটা কাপোৰেৰে তৈয়াৰী এটা কৃত্ৰিম ফুল হীন বস্তু। — লেৰেন্স

# লুম্মেৰ দাইৰ উপন্যাসত 'আদি' জনজাতীয় সমাজ জীৱনৰ চিত্ৰণ

## ('পৃথিৱীৰ হাঁহি' আৰু 'কইনাৰ মূল্য' উপন্যাসৰ বিশেষ উল্লিখনসহ)

—বৃষ্টি কলিতা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

সাহিত্যৰ মাজেৰে এখন সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদি বিভিন্ন অৱস্থাৰ লগত পৰিচয় হোৱাৰ উপৰি সেই ঠাইৰ মানুহৰ মন আৰু মগজুৰ সৈতে পৰিচিত হ'ব পৰা যায়। মানুহৰ সামাজিক জীৱনৰ সঠিক ছবি দাঙি ধৰিব পৰা সাহিত্যৰ আটাইতকৈ উৎকৃষ্ট মাধ্যম হৈছে উপন্যাস। একোখন উপন্যাসৰ মাজেৰে সেইখন সমাজৰ মানৱীয় প্ৰমূল্যবোধৰ উপৰি সামাজিক ব্যৱস্থাৰ বাহ্যিক আৰু আভ্যন্তৰীণ দুয়োটা দিশ স্পষ্ট কৰি তোলা হয়।

অসমীয়া উপন্যাস সাহিত্যৰ এটি উজ্জ্বল নক্ষত্ৰ হৈছে লুম্মেৰ দাই। উপন্যাস ৰচনাৰ ক্ষেত্ৰত স্বকীয় কিছুমান বিশেষত্বৰ বাবে আৰু জনজাতীয় চৰিত্ৰ তথা ভাৱনাৰ জৰিয়তে সমগ্ৰ মানুহৰ আৱেগ অনুৰাগক তুলি ধৰিবলৈ যত্ন কৰাৰ বাবে লুম্মেৰ দাই অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসত এজন বৈশিষ্টপূৰ্ণ ঔপন্যাসিক হিচাপে পৰিচিত। পাঁচখন উপন্যাসেৰে অসমীয়া উপন্যাস সাহিত্যত নিজৰ স্থান নিগাজী কৰি যোৱা লুম্মেৰ দাইৰ উপন্যাসৰ মূল বিষয় হৈছে স্বকীয় সামাজিক দিশৰ উন্মোচন। তেখেতৰ আটাইকেইখন উপন্যাসত যিটো জনজাতিৰ জীৱনৰ প্ৰতিচ্ছবি প্ৰধানকৈ চিত্ৰিত হৈছে সেইটো হৈছে 'আদি' জনজীৱন। ঔপন্যাসিক গৰাকী যিহেতু নিজেও উক্ত জনজাতিৰে লোক সেইবাবে তেওঁৰ উপন্যাসমূহত আদি জনজীৱনে বিশেষ ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। অৱশ্যে ঔপন্যাসিক গৰাকীয়ে বিভিন্ন সময়ত ৰচনা কৰা পাঁচখন উপন্যাসত আদি সমাজৰ বিৱৰ্তনশীল ৰূপ এটা দৃষ্টিগোচৰ হয়। যিহেতুকে লুম্মেৰ দাই এজন সমাজ সচেতন লেখক আছিল সেইবাবে এনে দিশবোৰ বিশ্বাসযোগ্যভাৱে তেওঁৰ উপন্যাসত প্ৰকাশিত হৈছে।

লুম্মেৰ দাইৰ আটাইকেইখন উপন্যাসতে আদি সমাজৰ বিভিন্ন দিশ সজীৱ ৰূপত উদ্ভাসিত হৈ উঠিছে। চৰিত্ৰ আৰু কাহিনীৰ সঞ্চালনিকৈ আদি সমাজৰ উৎসৱ-পাৰ্বন, মচুপ-কেবাঙৰ বিভিন্ন পদ্ধতি, আদি জনসমাজৰ জীৱন নিৰ্বাহ প্ৰণালী তথা অন্যান্য সামাজিক অৱস্থাৰ সাৱলীল প্ৰকাশ উপন্যাসকেইখনত ঘটিছে। সমকালীন সমাজ ব্যৱস্থাৰ প্ৰতিফলন উপন্যাসকেইখনৰ অন্যতম প্ৰধান দিশ। ঔপন্যাসিকে নিজৰ সমাজখনক বাস্তৱসন্মতভাৱে পাঠকৰ সন্মুখত তুলি ধৰাৰ প্ৰয়াস কৰিছে তাকে কৰিবলৈ যাওঁতে দাইৰ উপন্যাসকেইখনত সমকালীন সমাজৰ গতিশীল ৰূপৰ স্বতঃস্ফূৰ্ত অভিব্যক্তি দেখা যায়। সেয়ে এনে এগৰাকী



দায়বদ্ধ লেখকৰ ৰচনা সম্পৰ্কে বিশদভাৱে আলোচনা কৰাৰ যথেষ্ট থল আছে।

**পৃথিৱীৰ হাঁহি উপন্যাসত প্ৰতিফলিত আদি সমাজ ব্যৱস্থাৰ চিত্ৰণ ঃ**

লুম্মেৰ দাইৰ পাঁচখন উপন্যাসৰ ভিতৰত কাহিনী বিন্যাসৰ পিনৰ পৰা আটাইতকৈ সফল উপন্যাসখনেই হৈছে পৃথিৱীৰ হাঁহি। উপন্যাসখনৰ মূল বিষয়বস্তু হৈছে প্ৰেমক কেন্দ্ৰ কৰি সমাজৰ উচ্চশ্ৰেণী আৰু নিম্নশ্ৰেণীৰ মাজত হোৱা সংঘাত। এই উপন্যাসখনত সমাজৰ উচ্চশ্ৰেণীৰ লোকৰ শঠতাৰ বলি হৈ নিম্নশ্ৰেণীৰ লোকসকলে কিদৰে নিজৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হ'ব লগা হয় সেই কথা ঔপন্যাসিকে আদি সমাজৰ পটভূমিত সুন্দৰকৈ উপস্থাপন কৰিছে। পৃথিৱীৰ হাঁহি উপন্যাসখনত প্ৰচ্ছন্ন আৰু বাঙ্ময় হৈ থকা সামাজিক সংস্কাৰ, ৰীতি-নীতি, ধ্যান-ধাৰণা, উৎসৱ-অনুষ্ঠান, সামাজিক ব্যৱস্থা আদিবোৰ ঔপন্যাসিকে শিল্পসন্মতভাৱে প্ৰকাশ কৰিছে। উপন্যাসখন আদি সমাজৰ ইতিহাসস্বৰূপ।

উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য জনজাতীয় লোকসকলৰ দৰে 'আদি' সমাজৰ নাৰীসকলো অত্যন্ত কৰ্মী। পুৰুষৰ তুলনাত তেওঁলোক অধিক সক্ৰিয়। তেওঁলোকৰ সামাজিক জীৱনো যথেষ্ট মুক্ত আৰু স্বাধীন। এইক্ষেত্ৰত উপন্যাসখনৰ গচি, কাৰপুং আৰু লিয়িৰ কৰ্মপটু তথা স্বাধীনমনা ছবিখনলৈ আঙুলিয়াব পাৰি। সূতা কটা, পথাৰৰ কাম কৰা, খৰি লুৱা এইবোৰেই তেওঁলোকৰ দৈনন্দিন কৰ্মতালিকা।

আদি সমাজত ল'ৰাৰ বাবে ছোৱালী বন্দৰস্ত হ'লে ল'ৰাই মচুপত ৰাতি শুবলৈ এৰি, ছোৱালীৰ ঘৰত শোৱে। সেই সময়ছোৱাত ছোৱালীঘৰে ল'ৰাৰ যথেষ্ট আলপৈচান ধৰে। পৃথিৱীৰ হাঁহি উপন্যাসখনত লেখকে এই দিশটো অংকন কৰিছে।

*"আজিৰ পৰা কাদুগে ইয়াত শুব, গচিয়ে ভাবিলে। তাই ভনীয়েকহঁতৰ লগত একেপাটীতে শুইছিল। কিন্তু আজিৰ পৰা মই সুকীয়াকৈ পাটী এখন ল'ব লাগিব— তাই ভাবিলে।*

*গচিয়ে অয়িৰ পাটীৰ পৰা অলপ আঁতৰত, চুক এটাত দুজনীয়াকৈ পাটী এখন পাৰিলে। দুটা গাৰু পাটীখনৰ শিতানত ওচৰা-ওচৰিকৈ সজাই থ'লে... ।"*

আদি সমাজত ল'ৰা-ছোৱালী ইজনে সিজনক পছন্দ কৰিলে ল'ৰা ঘৰৰ কোনোবা আত্মীয় গৈ ছোৱালী খোজাটো নিয়ম। পৃথিৱীৰ হাঁহি উপন্যাসখনত কাৰদুগৰ মাহীয়েকে গচিক কাৰদুগৰ বাবে বিয়া পাতিব বিচাৰি তাইৰ সন্মতি আদায় কৰিছে।

আদি সমাজত বিবাহ বিচ্ছেদ, পুনৰ বিবাহ ইত্যাদি প্ৰচলিত যদিও সগোত্ৰীয় বিবাহ নিষিদ্ধ। উপন্যাসখনত চিত্ৰিত বাংকঙৰ ককায়েকৰ চৰিত্ৰটো ইয়াৰ উৎকৃষ্ট উদাহৰণ। বাংকঙৰ ককায়েকে খুৰাকৰ ছোৱালীৰ সৈতে অবৈধ সম্পৰ্ক ৰক্ষা কৰাৰ বাবে সমাজৰ সকলোৱে তাক কু-দৃষ্টিৰে চায়। কেৱল সেয়াই নহয়, সমাজৰ সকলো পৱিত্ৰ কাম-কাজৰ পৰা তেনে লোকক আঁতৰত ৰখা হয়—

*"...তাৰ হাত পৱিত্ৰ নহয়। অপৱিত্ৰ হাতেৰে গাহৰি মাৰিলে ধানৰ দেৱীয়ে গাহৰিৰ আত্মাটো আদৰি নলয়... ।"*

চিকাৰ কৰা প্ৰথা 'আদি' সমাজত বহুলভাৱে প্ৰচলিত। 'এতৰ' উৎসৱৰ আগে আগে গাঁৱৰ যুৱকসকল একগোট হৈ চিকাৰ কৰিবলৈ যায়। এয়া 'আদি' সমাজৰ নিয়ম। পৃথিৱীৰ হাঁহি উপন্যাসখনতো 'এতৰ' উৎসৱ উপলক্ষে কাৰদুগ, বাংকঙ আৰু লিব একগোট হৈ চিকাৰ কৰিবলৈ আহিছে।

চিকাৰ কৰিব নোৱাৰিলে আদি সমাজে পুৰুষক পুৰুষ বুলি গণ্য নকৰে। উপন্যাসত লেখকে কাৰদুগৰ মুখৰ সংলাপত সেই কথাৰ প্ৰতিফলন ঘটাইছে।

*"...চিকাৰ কৰিবলৈহে পঠিয়াব লাগিব। এই ডেকাকালত পহু এটাও মাৰিব নোৱাৰিলে মতা মানুহৰ নাম নোলোৱাই ভাল... ।"*

সেইদৰে চিকাৰৰ সৈতে জড়িত বিবিধ লোকবিশ্বাসেও উপন্যাসখনত স্থান পাইছে। বনদেৱতা সন্তুষ্ট হ'লে ভাল চিকাৰী হ'ব পাৰে বুলি তেওঁলোকে বিশ্বাস কৰে।

*"...তই বন দেৱতালৈ পূজা এটা দিবি। বন দেৱতাৰ সুদৃষ্টি তোৰ ওপৰত পৰিছে। খুব কম মানুহৰ ওপৰতহে বন দেৱতাৰ সুদৃষ্টি পৰে। পূজা এটা দি বন দেৱতাক সন্তুষ্ট কৰিব পাৰিলে তই নিপুণ চিকাৰী হ'বি।"*

চিকাৰৰ বাহিৰেও পৃথিৱীৰ হাঁহি উপন্যাসখনত আদিসকলৰ অন্য কিছুমান লোকবিশ্বাস-লোকাচাৰেও ঠাই পাইছে। হাবিত সাপ দেখিলে তেওঁলোকে অমংগল হ'ব বুলি বিশ্বাস কৰে। আকৌ শৰীৰত ঘা লাগিলে ভূতে সেই ঘা ডাঙৰ কৰে বুলি তেওঁলোকে বিশ্বাস কৰে। আকৌ অৰণ্যত বনদেৱতা থকা আৰু সেই বনদেৱতাই মানুহক ধৰি নিয়ে বুলিও আদিসকলে বিশ্বাস কৰে।

আদি সমাজ ব্যৱস্থাৰ দুটি প্ৰধান অনুষ্ঠান হৈছে মচুপ আৰু কেবাং। আদি সমাজত এই অনুষ্ঠান দুটাৰ গুৰুত্ব কিমান সেই কথাৰ আভাস পৃথিৱীৰ হাঁহি উপন্যাসখনৰ পৰা পোৱা যায়। মচুপত অবিবাহিত ডেকাসকলে নিশাটো অতিবাহিত কৰে। 'মচুপ'ত উৎসৱ অনুষ্ঠানো উদ্‌যাপন কৰা হয়। 'মচুপ'ৰ সদস্যসকলৰ বাবে বহুতো নিয়ম-কানুন থাকে। সেই নীতি-নিয়মসমূহ 'মচুপ'ৰ সদস্যসকলে নিষ্ঠা সহকাৰে পালন কৰিব লাগে। পৃথিৱীৰ হাঁহি উপন্যাসখনত মচুপৰ বৰ্ণনা দিয়া হৈছে এনেদৰে—

*"দীঘে প্ৰায় তিনিশ হাত, পুতলে ত্ৰিশ হাত আৰু উচ্চতাই পয়ত্ৰিশ হাত মাত্ৰ আহল-বহল মচুপ ঘৰটোৰ শাৰী শাৰী হৈ থকা জুহালবোৰত জুই জ্বলি থাকে। গোটেই মচুপটো জুইৰ পোহৰত উজ্জ্বল হৈ উঠিছে...।"*

মচুপৰ দৰে গ্ৰাম্য সমাজখন শৃংখলিত কৰি ৰখাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা আন এটি অনুষ্ঠান হৈছে কেবাং। কেইবাজনো প্ৰতিনিধিৰে গঠিত কেবাঙত গাঁওবুঢ়াই সমস্ত নেতৃত্ব লৈ সমাজখনত উদ্ভৱ হোৱা বিভিন্ন হাই-কাজিয়া, দ্বন্দ্ব-খৰিয়াল আদি মীমাংসা কৰে। কেবাঙৰ সিদ্ধান্তক সকলোৱে সম্মানেৰে আদৰণি জনায়। পৃথিৱীৰ হাঁহি উপন্যাসখনত কেবাং সম্পৰ্কে লেখকে যথেষ্ট আভাস দিবলৈ সক্ষম হৈছে।

*"...কেবাঙৰ নিচিনা বিশিষ্ট বিচাৰ অনুষ্ঠানে নিৰ্দোষীক কেতিয়াও ভুলতেও দোষী সাব্যস্ত নকৰে। কেতিয়াবা তেনে কৰিলে কেবাঙৰ মান-মৰ্যাদা সকলো ক্ষুণ্ণ হ'ব।"*

*"কেবাঙক চবে বিশ্বাস কৰে। সাধাৰণতে কেবাঙে ভুল নকৰে...।"*

কিন্তু বৰ্তমান সময়ত কিছুমান স্বাৰ্থান্বেষী লোকে কেবাঙৰ নৈতিক আদৰ্শত কুঠাৰঘাত কৰি কেবাঙখন কলুষিত কৰি তুলিছে। প্ৰতিপত্তিশীল লোকৰ প্ৰৰোচনাত কেবাঙখন ব্যক্তিগত সম্পত্তিলৈ ৰূপান্তৰিত হৈছে। পৃথিৱীৰ হাঁহি উপন্যাসখনত লেখকে পৰিৱৰ্তনশীল সমাজখনত এনে ঘূণে ধৰা দিশটোও উদঙাই দেখুৱাইছে কাহিনীৰ মাজেৰে।

পৃথিৱীৰ হাঁহি উপন্যাসখনত 'আদি'সকলৰ গ্ৰাম্য জীৱনটো সুন্দৰভাৱে অংকিত হৈছে। পহু চিকাৰ, বিবিধ পোহনীয়া জন্তু যেনে— গাহৰি, মেথোন-কুকুৰা আদি পোহা কাম, ঝুম খেতি কৰা, বাঁহ-বেত আৰু কাঠৰ কামত পাৰ্গত পুৰুষসকলৰ শিল্প-চেতনা আদিবোৰে তেওঁলোকৰ গ্ৰাম্য জীৱনটো সুন্দৰভাৱে প্ৰতিনিধিত্ব কৰিছে।

উপন্যাসখনত 'আদি'সকলৰ খাদ্যাভ্যাস প্ৰণালীও ঔপন্যাসিকে অতি সাৱলীল ৰূপত প্ৰকাশ কৰিছে। ভাত, মাছ, মাংস, আপং, গোমধান, লাইশাক, তিলৰ চাটনি, পোৰা আলু-কচু, লিবাং গছৰ চাল আদিবোৰ তেওঁলোকৰ খাদ্য তালিকাত অন্তৰ্ভুক্ত।

আদি সমাজৰ উক্ত বিভিন্ন দিশসমূহৰ উপৰি তেওঁলোকৰ সাংস্কৃতিক জীৱনৰ প্ৰতিফলনো পৃথিৱীৰ হাঁহি উপন্যাসখনত প্ৰতিফলিত হৈছে। ইয়াৰ ভিতৰত উপন্যাসখনত উল্লিখিত 'এতৰ' আৰু আহাৰ-শাওন মাহত অনুষ্ঠিত হোৱা 'চলুং' উৎসৱলৈ আঙুলিয়াব পাৰি।

পূৰ্ণিমাৰ স্নিগ্ধ জোনাক নিশা 'এতৰ' উৎসৱ উপলক্ষে দেলং নৃত্য কৰা হয়। 'দেলং' নৃত্যৰ সময়ছোৱাত ল'ৰা-ছোৱালী, ডেকা-গাভৰুৰ গাত তত্ নাইকীয়া হয়। এই উৎসৱত মিৰি (পুৰোহিতে) য়ে প্ৰাণী আৰু উদ্ভিদ জগতৰ সৃষ্টি তত্ত্বৰ সূত্ৰবোৰ গাই যায় আৰু ডেকাবোৰে মিৰিক দোহাৰি এই তত্ত্ববোৰ আওৰায়।

ঠিক সেইদৰে ধানৰ দেৱীক সন্তুষ্ট কৰাৰ মানসেৰে উদ্‌যাপন কৰা চলুং উৎসৱত গাভৰুবিলাকে পুনুং নাচে। এই উৎসৱৰ জৰিয়তে আদিসকলে দেশ আৰু সমাজৰ মংগলৰ কাৰণে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনায়। উল্লেখ্য যে, আদিসকল অত্যন্ত ঈশ্বৰ বিশ্বাসী।

চিন্তাশীল লেখক লুম্মেৰ দাইয়ে তেওঁৰ আটাইকেইখন উপন্যাসতে ক্ৰমাৎ পৰিৱৰ্তনশীল সমাজখনৰ বিৱৰ্তনমুখী ৰূপটো অংকন কৰিছে। আধুনিক চিন্তাই ঢুকি নোপোৱা পৃথিৱীৰ হাঁহি উপন্যাসখনৰ চৰিত্ৰসমূহে বাহিৰৰ জগতখনৰ সৈতে পৰিচিত হ'ব খোজা কথাটোৰ ঔপন্যাসিকে কিঞ্চিত আভাস দিবলৈ চেষ্টা কৰিছে। বিনিময় ব্যৱস্থাৰ পৰিণতিস্বৰূপে তেওঁলোকৰ মনত উক দিয়া ব্যৱসায়িক বৃত্তিৰ কথা দাইয়ে পৃথিৱীৰ হাঁহি উপন্যাসখনত অংকন কৰিবলৈ চেষ্টা কৰিছে। উপন্যাসখনত কাৰদুগে চহৰৰ ব্যৱসায়ীৰ সৈতে জিম কাপোৰৰ ব্যৱসায় কৰিছে আৰু লিবকো চহৰলৈ লৈ আনি চহৰীয়া পৰিৱেশৰ সৈতে চিনাকি কৰাই দিছে।

লুম্মেৰ দাইৰ পৃথিৱীৰ হাঁহি উপন্যাসখনত বৰ্ণিত সৰু বৰ সকলো ঘটনাই আদি সমাজখনৰ স্বৰূপ নিৰ্ণায়ক হৈছে। উপন্যাসখনত আদিসকলৰ প্ৰতিটো খুটি-নাটিৰ বিস্তৃত বিৱৰণ সজীৱ ৰূপত প্ৰকাশিত হৈছে।

## কইনাৰ মূল্য উপন্যাসত প্ৰতিফলিত আদি সমাজৰ চিত্ৰণ ঃ

আদি সমাজৰ এটা গুৰুত্বপূৰ্ণ সমস্যাক লৈ ৰচিত লুম্মেৰ দাইৰ এখন উল্লেখযোগ্য উপন্যাস হৈছে কইনাৰ মূল্য। এইখন প্ৰকৃততে নাৰী সমস্যাকেন্দ্ৰিক উপন্যাস। অৱশ্যে নাৰী সমস্যাক মূল উপজীব্য হিচাপে গ্ৰহণ কৰিলেও ঔপন্যাসিকে এইখন উপন্যাসতো আদি সমাজ ব্যৱস্থাৰ অন্য কিছুমান দিশ উপস্থাপন কৰিছে। নিজৰ সমাজখনৰ সৈতে ভালদৰে পৰিচিত লুম্মেৰ দাইয়ে পৰম্পৰাগত আদি সমাজত প্ৰচলিত এটা প্ৰধান সমস্যা বাল্য বিবাহৰ বিৰূপ প্ৰতিক্ৰিয়া কলাত্মক ৰূপত উপস্থাপন কৰিছে।

উপন্যাসখনত প্ৰতিফলিত হোৱা আদি সমাজ ব্যৱস্থাৰ কথা আলোচনা কৰিবলৈ যাওঁতে প্ৰথমেই দৃষ্টিগোচৰ হয় উপন্যাসখনত চিত্ৰিত বাল্য বিবাহৰ দৰে ভয়াবহ সমস্যা। কেৱল সেয়াই নহয় আদি সমাজত যে নাৰীৰ কোনো নিজস্ব স্থিতি নাই, সেই কথাও উপন্যাসখনৰ পৰা পোহৰলৈ আহে। সেইখন সমাজৰ বাবে নাৰী এক পণ্য সামগ্ৰী। অন্যান্য সামগ্ৰীৰ দৰেই নাৰী জন্ম পালে বেচা-কিনা কৰাটো তেওঁলোকৰ পৰম্পৰাগত ৰীতি।

নগদ টকা, মেঠোন, গাই-কাঁহী আদি সামান্য সামগ্ৰীৰ বিনিময়তে আদিসকলে কন্যা সন্তানক বিক্ৰী কৰে। আনকি মাতৃগৰ্ভত থাকোঁতে কন্যা সন্তান জন্ম হ'ব বুলি গম পালে সেই সন্তানকো পৃথিৱীৰ পোহৰ দেখাৰ আগতেই বিক্ৰী কৰি দিয়া হয়। কইনাৰ মূল্য উপন্যাসৰ মূল নাৰী চৰিত্ৰ গুমৰাৰ জীৱনতো তেনে ঘটনাই ঘটিছে। উপন্যাসখনত লেখকে এই কথাৰ বৰ্ণনা দিছে এনেদৰে—

*"...গুমৰাৰ দামস্বৰূপে কাৰগুমে পালে পাঁচটা মেঠোন, সাতজনী গাই, কাঁহী এঘাৰখন আৰু কাঁহৰ বাটি ছটা। লগতে পালে নগদ টকা তিনি হাজাৰ..।"*

এনেকৈয়ে এগৰাকী নাৰীক পৰম্পৰাগত ৰীতি-নীতি, অন্ধ-সংস্কাৰে পংগু কৰি পেলাইছিল,

যাৰ ফলস্বৰূপে তেওঁলোকক কেৱল সম্পত্তি বুলি গণ্য কৰিছিল। ছোৱালী হৈ জন্ম ল'লে উপযুক্ত বয়সত যোৱাৰী হৈ যোৱাটোৱেই অশিক্ষিত আদি সমাজখনৰ পৰম্পৰাগত ৰীতি। তেওঁলোকৰ বাবে এয়া কোনো অন্যায় নহয়, —পৰিয়ালৰ আলপৈচান নাৰীৰ মুখ্য কাম—

*"ঘৰখন চোৱাৰ দায়িত্ব তাইৰেই। খেতিপথাৰ, গাহৰি-কুকুৰা চোৱাৰ দায়িত্বই বা কাৰ? তাইৰ। ল'ৰা-ছোৱালীক লালন-পালন কৰা, শহুৰ-শাহুৰেকৰ সেৱা-শুশ্ৰূষা কৰাৰ দায়িত্বও তাইৰেই। নহ'লেনো ছোৱালীৰ দাম ইমান হ'বনে? তিৰোতাৰ ইমান দায়িত্ব সেয়েহে ইমান দাম।"*

কিন্তু উপন্যাসখনত দেখা গৈছে আধুনিক শিক্ষাৰ পোহৰ পোৱা গুমবাই অফুৰন্ত মানসিক শক্তিৰে সমাজৰ এনে অমানৱীয় নীতি-নিয়মৰ বিৰুদ্ধে ঘোষণা কৰিছে—

*"মোক মাৰি পেলা। মোক আনক বেচোতকৈ মাৰি পেলা দেউতা। ..."*

এগৰাকী সমাজ সচেতন লেখক হিচাপে লুম্মেৰ দাইয়ে নিজৰ সমাজখনত প্ৰচলিত বাল্য বিবাহৰ দৰে গুৰুত্বপূৰ্ণ সমস্যা তথা নাৰীৰ ওপৰত চলা নিৰ্যাতন নিৰ্মূল কৰাৰ অৰ্থে পৰোক্ষভাৱে হ'লেও চেষ্টা কৰিছিল।

আদিসকলৰ সমাজ জীৱনত ব্যক্তিৰ নামাকৰণৰ ক্ষেত্ৰত এটা বিশেষ নিয়ম পৰিলক্ষিত হয়। তেওঁলোকৰ সমাজত পিতৃৰ নামৰ শেষ শব্দাংশ যুক্ত কৰি তেওঁৰ পুত্ৰ বা কন্যাৰ নাম আৰম্ভ কৰাৰ এটা পদ্ধতি প্ৰচলিত আছে। যেনে— কাৰগুমৰ জীয়েকৰ নাম গুমবা। নিজৰ পুত্ৰ-কন্যাক মৰমতে মাতিবলৈ তেওঁলোকৰ সমাজে আন এটা ৰীতি মানি চলে। ল'ৰা সন্তান হ'লে নামৰ শেষ আখৰৰ আগত তা আৰু ছোৱালী সন্তান হ'লে নামৰ শেষ আখৰৰ আগত য়া যুক্ত কৰা হয়। আদিসকলৰ নামকৰণৰ এই বৈশিষ্ট্যটি লুম্মেৰ দাইৰ কইনাৰ মূল্য উপন্যাসখনত সুন্দৰকৈ দেখুওৱা হৈছে।

জনজাতীয় সকলো সমাজতে আপঙৰ ব্যৱহাৰ দেখা যায়। আদি সমাজখনো ইয়াৰ ব্যতিক্ৰম নহয়। ঘৰতে প্ৰস্তুত কৰা মদ (আপং) তেওঁলোকৰ প্ৰিয় পানীয়। তেওঁলোকৰ সমাজখনত থকা আপঙৰ বহুল ব্যৱহাৰ দাইয়ে তেওঁৰ কইনাৰ মূল্য উপন্যাসখনত দাঙি ধৰিছে।

আদিসকল দ্বৈত ঈশ্বৰবাদী, তেওঁলোকে দঞিপল (চন্দ্ৰ-সূৰ্য)ক বিশ্বাস কৰে। তদুপৰি বিভিন্ন উপলক্ষ্যত তেওঁলোকে অন্যান্য দেৱ-দেৱীকো পূজা-অৰ্চনা কৰে।

উপসনাৰ ক্ষেত্ৰত তেওঁলোকে নানান উপাচাৰ আৰু বলি বিধানবো ব্যৱস্থা কৰে। বনদেৱতা অসন্তুষ্ট হ'লে অপকাৰ হ'ব পাৰে বুলি ভাবি আদিসকলে কিবা খোৱাৰ সময়ত সিবিলাকক সভক্তিৰে স্মৰণ কৰে। সেইদৰে হাবিত ভাত বা আপং খালে খোৱাৰ আগতে বনদেৱতালৈ বুলি অলপ পেলাই দিয়ে—

*"কাৰগুমে আপং চুঙাটোৰ পাতৰ সোপাটো খুলি বনদেৱতালৈ অলপ আপং পেলাই দি ঢোকে-ঢোকে আপং গিলিলে। ভাত তৰকাৰিখিনি আকৌ টোপোলাকৈ বান্ধি 'তালি'ত ভৰাওতে সি ভাবিলে, নাখালে গাত শক্তি নাপাম। আৰু অনেক দূৰ পাহাৰ বগাবলগীয়া আছে। সি সেইবাবে টোপোলাবোৰ খুলি বনদেৱতালৈ ভাত অলপ পেলাই দি খাবলৈ ধৰিলে।"*

দাইৰ কইনাৰ মূল্য উপন্যাসখনত এনেবোৰ লোকবিশ্বাসৰ সুন্দৰ প্ৰতিফলন ঘটিছে।

আদিসকলৰ বংশীয় পৰম্পৰা অনুসৰি নিজৰ নিজৰ বংশৰ মৌখিক বুৰঞ্জী মনত ৰখাটো এটা নিয়ম। গুমবাৰ দেউতাক কাৰগুমেও নিজৰ বংশৰ সকলো ঘটনা মনত ৰাখিছে।

আদিসকলৰ ধান থোৱা ভঁৰাল থকা ঘৰৰ পৰা অলপ আঁতৰত। তেওঁলোকে ভঁৰালত ধান থোৱাৰ উপৰি কঁাহী-বাতি, টকা আৰু মূল্যবান সম্পত্তিও ৰাখে।



*"ভঁৰালৰ দুৱাৰৰ তলা খুলি সি ভিতৰলৈ সোমাই গ'ল। দুয়োফালে মাজিয়াত ধানৰ দ'ম। ধানৰ মাজে সি পাৰ হৈ গ'ল। ভঁৰালৰ পাছফালৰ কোণত নানা ধাতুৰ বিভিন্ন আকাৰৰ কঁাহী-বাটি। ...."*

পৃথিৱীৰ হাঁহি উপন্যাসখনৰ দৰে কইনাৰ মূল্য উপন্যাসখনতো নাৰীসকলক অধিক সক্ৰিয় দেখা যায়। সকলো কামতে পাৰ্গত নাৰীসকলে উৰালত ধান বনাৰ পৰা আৰম্ভ কৰি হাবিৰ পৰা খৰি অনা, কাঠ ফলা ইত্যাদিবোৰ নিয়াৰিকৈ পালন কৰে। উপন্যাসখনত ঝুম পদ্ধতিৰে খেতি কৰাৰ কথা, হাঁহ-কুকুৰা, গাহৰি-মেথোন আদি পালন কৰা, চিকাৰ কৰা আদিও ঠায়ে ঠায়ে বৰ্ণিত হৈছে।

উপন্যাসখনত আদি সমাজৰ এটি গুৰুত্বপূৰ্ণ অনুষ্ঠান কেবাঙৰ বিস্তৃত বিৱৰণ পোৱা যায়। গাঁওখনত বিচাৰৰ ক্ষেত্ৰত মুখ্য ভূমিকা লোৱা কেবাং সাধাৰণতে দুবিধ-বাংগ কেবাং আৰু বকা কেবাং। কেবাঙৰ লগত জড়িত গাম, বৰগামৰ ভূমিকাৰ বিষয়েও কইনাৰ মূল্য উপন্যাসখনত বিশদ বিৱৰণ থকা দেখা যায়।

বিংশ শতিকাৰ আশীৰ দশকত ৰচিত লুম্মেৰ দাইৰ কইনাৰ মূল্য উপন্যাসখনে পৰিৱৰ্তিত আদি সমাজখনৰ নিখুঁত চিত্ৰ এখন দাঙি ধৰিবলৈ সক্ষম হৈছে। কু-সংস্কাৰাচ্ছন্ন আদি সমাজখনৰ পৰম্পৰাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰা গুমবা আৰু মাৰকেন, কাৰদাক, লীতেৰ আদি চৰিত্ৰসমূহ নতুন প্ৰতিনিধি। সেইদৰে বিৱৰ্তনমুখী আদি সমাজখনত শিক্ষা গ্ৰহণ, ৰেডিঅ', চিঠি, যুৱ সমাজ গঠন তথা কেবাঙে সিদ্ধান্ত ল'ব নোৱাৰিলে ডি. চি. ক'ৰ্টলৈ যোৱা আদিবোৰ কথাই কুৰি শতিকাৰ শেষলৈ তেওঁলোকৰ জীৱনলৈ অহা পৰিৱৰ্তনসমূহক কলাত্মক ৰূপ দিয়াৰ ক্ষেত্ৰত ঔপন্যাসিক সফল হৈছে।

'পাহাৰৰ শিলে শিলে' উপন্যাস ৰচনাৰ জৰিয়তে অসমীয়া উপন্যাস সাহিত্যত প্ৰৱেশ কৰি নিজৰ স্থান নিগাজী কৰি যোৱা ঔপন্যাসিক লুম্মেৰ দাইৰ আটাইকেইখন উপন্যাসেই উপন্যাস কলাৰ বিবিধ উপাদানৰ দিশৰ পৰা বৈশিষ্ট্যপূৰ্ণ। আমাৰ আলোচনা সামৰি লোৱা 'পৃথিৱীৰ হাঁহি' আৰু 'কইনাৰ মূল্য' উপন্যাস দুখন কেইবাটাও দিশৰ পৰা গুৰুত্বপূৰ্ণ। আদি সমাজ জীৱনৰ আভাস বিচাৰিবলৈ হ'লে দাইৰ পৃথিৱীৰ হাঁহি উপন্যাসখনেই যথেষ্ট। উপন্যাসখন আদি সমাজৰ ইতিহাস স্বৰূপ। এইখন উপন্যাসত প্ৰচ্ছন্ন আৰু বাংময় হৈ থকা আদি সমাজৰ প্ৰাত্যাহিক জীৱন যাত্ৰাৰ প্ৰণালী, ধ্যান-ধাৰণা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণ, প্ৰকৃতি আদিৰ বিষয়ে বিস্তৃত আলোকপাত কৰা হৈছে।

আনহাতে আনখন উপন্যাস কইনাৰ মূল্যত আদি সমাজৰ সামাজিক পৰিৱেশৰ লগতে বাল্যবিবাহৰ দৰে সামাজিক প্ৰথাই নাৰীসকলৰ জীৱন কেনেদৰে দুৰ্বিষহ কৰি তুলিছে তাৰ বৰ্ণনা কৰিছে। নাৰীসকলক সম্পত্তিৰ দৰে গণ্য কৰি তেওঁলোকৰ জীৱন কিদৰে পংগু কৰি তোলা হৈছে সেই কথা ঔপন্যাসিকে অতি মৰ্মস্পৰ্শীভাৱে উপন্যাসখনত দাঙি ধৰিছে। উপন্যাসখনৰ শেষৰফালে ঔপন্যাসিকে আদৰ্শাত্মক যুক্তিৰে সমাজৰ কু-সংস্কাৰবোৰৰ বিৰুদ্ধে প্ৰত্যাহবান জনাইছে। আৰু এই ক্ষেত্ৰত ঔপন্যাসিক সফল হৈছে। ঔপন্যাসিকৰ এনে পদক্ষেপ আদি সমাজখনৰ বাবে নিশ্চয় শুভকাৰক।

এনেবোৰ বিভিন্ন দিশৰ ভিত্তিত লুম্মেৰ দাইৰ পৃথিৱীৰ হাঁহি আৰু কইনাৰ মূল্য আদি সমাজৰ ৰীতি-নীতি, পৰম্পৰাৰ এক ঐতিহাসিক দলিল স্বৰূপে গণ্য কৰিব পাৰি।

❖❖❖

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰীৰ চিত্ৰ সাংবাদিকলৈ প্ৰত্যাহ্বান

—শ্ৰীসমীৰ কুমাৰ নাথ
সহকাৰী অধ্যাপক
ইংৰাজী বিভাগ

**আগকথা ঃ**

১৯২৫ চনৰ জাৰ্মানীত আধুনিক চিত্ৰ-সাংবাদিকতাৰ ধ্যান ধাৰণাই মূৰ ডাঙি উঠে। "Missouri school of Journalism" নামৰ বিশ্ববিদ্যালয়ৰ ডিন আৰু বুৰঞ্জীবিদ ফ্ৰেস্কলুথাৰ মট্ৰে পোন প্ৰথমবাৰৰ বাবে এই 'চিত্ৰ-সাংবাদিকতা' শব্দটো ব্যৱহাৰ কৰিছিল। ২য় বিশ্বযুদ্ধৰ (১৯৩৯-১৯৪৫) পিছত অৱশ্যে বেছি সংখ্যক সাংবাদিক নাইবা বাতৰি কাকতৰ সম্পাদকে শাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছিল। ফলস্বৰূপে তেওঁলোকে অন্যদেশলৈ স্থানান্তৰিত হ'বলগীয়াত পৰিছিল। বিশেষকৈ সৰহসংখ্যক সাংবাদিক United of States লৈ গৈছিল।

পৰৱৰ্তী সময়ত হেনৰি লুইচে "Time and fortune" আলোচনীৰ জৰিয়তে জনপ্ৰিয়তাৰ শীৰ্ষলৈ আৰোহন কৰিবলৈ সক্ষম হৈছিল। তেওঁ আধুনিক চিত্ৰ সাংবাদিকতাৰ ধ্যান ধাৰণাক সৱোগত কৰি ১৯৩৬ চনৰ ২৩ নবেম্বৰ তাৰিখে "Life" নামৰ আলোচনীখন উন্মোচন কৰে। জ'ন শ্বই সম্পাদনা কৰা এই 'Life' নামৰ আলোচনীখনে ২য় বিশ্বযুদ্ধৰ সময়ত আচৰিতভাৱে জনপ্ৰিয়তা লাভ কৰে। এনে ধৰণৰ সফল চিত্ৰ সাংবাদিকসকলৰ প্ৰায় ১৫০,০০০ মান চিত্ৰ পৰৱৰ্তী সময়ত 'Library of Congress' ত সংৰক্ষিত হয়। উপৰোক্ত সংৰক্ষিত ছবিবোৰে আমেৰিকাৰ অসন্তুলিত সমাজ ব্যৱস্থা, নগৰৰ সমৃদ্ধি আৰু গাঁৱৰ দাৰিদ্ৰতাৰ এখন ছবি জনসাধাৰণৰ মানসত প্ৰকট কৰি তুলিছিল। ইয়াৰ উপৰিও জনসাধাৰণে ছবিবোৰৰ জৰিয়তে ৰ'জভেল্টৰ বিতৰ্কিত সামাজিক উন্নয়নৰ বিস্তৃত অনুষ্ঠানসূচীৰ গুৰুত্ব সম্পৰ্কে আভাস পাইছিল। 'Arthur rothstein'ৰ Dust-Bowel' আৰু 'Dorothea Lange'ৰ 'Migrant mother' এনেধৰণৰ ছবিয়েই আছিল। আজি মই ঠিক তেনে এখন 'Congress Library'ত থকা দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গৰ প্ৰখ্যাত চিত্ৰ সংবাদিক কেভিন কাৰ্টাৰৰ বিশ্ববিখ্যাত ও বিতৰ্কিত চিত্ৰ এখনৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰিছো। ১৯৬০ চনৰ ১৩ ছেপ্তেম্বৰত কেভিন কাৰ্টাৰৰ জন্ম হৈছিল যিটো বৰ্তত আফ্ৰিকাৰ নেলচন মেণ্ডেলাৰ "African National Congress" নামৰ অনুষ্ঠানটো আইনৰ সুৰক্ষাৰ পৰা বঞ্চিত হৈছিল।

**স্নেপশ্বট ঃ ১**

১৯৯৩ চনৰ মাৰ্চ মাহত দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গৰ চিত্ৰ সাংবাদিক কেভিন কাৰ্টাৰে দক্ষিণ চুডানলৈ যাত্ৰা কৰিছিল য'ত তেওঁ আয়ড নামৰ গাওঁখনৰ সমীপৱৰ্তী এটি শিশু কেনেকৈ শগুনৰ চিকাৰৰ বলি হৈছিল তাৰ ভয়ংকৰ দৃশ্য কেমেৰাত বন্দী কৰিছিল। কাৰ্টাৰৰ ভাষ্য অনুসৰি তেওঁ বিশমিনিট সময় অপেক্ষা কৰিছিল যাতে শগুনটোৱে শিশুটোক আক্ৰমণ কৰা দৃশ্য কেমেৰাত ধৰি ৰাখিব পাৰে। কিন্তু সেয়া হৈ নুঠিল। অৱশেষত কাৰ্টাৰে, শগুনটোৱে শিশুটোক আক্ৰমন কৰিবলৈ সংগোপনে বহি থকা চিত্ৰখন লৈ শগুনটোক খেদি উক্ত ঠাই ত্যাগ কৰে। কাৰ্টাৰে ফটোখন 'The New York Times' ক বিক্ৰী কৰে আৰু 'The New York Times' য়ে ১৯৯৩ চনৰ ২৬ মাৰ্চ তাৰিখে "Metaphor of Africa's despair" শিৰোনামাৰে প্ৰকাশ কৰে। ১৯৯৪ চনত কেভিন কাৰ্টাৰে সেই ভীতিপ্ৰদ চিত্ৰখনৰ বাবে পুলিৎজাৰ বঁটা লাভ কৰে। কিন্তু সকলোকে সন্দেহৰ আৱৰ্তত ৰাখি উক্ত বৰ্ষতে তেওঁ আত্মহত্যা কৰে। তেওঁৰ আত্মহত্যাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উৎসুকতাক ম্লান কৰিবলৈ সেইখিনি সময়ত সঠিক তথ্যৰ অভাৱ আছিল। ফলস্বৰূপে কাৰ্টাৰৰ এনে আচৰণ পৃথিৱীবাসীৰ বাবে এক আচৰিত ঘটনা হৈ পৰিছিল। কাৰ্টাৰ যথেষ্ট সমালোচনাৰ সন্মুখীন হৈছিল। মানুহবোৰে জানিব বিচাৰিছিল কাৰ্টাৰে প্ৰকৃততে শিশুটোক সহায় কৰিছিলনে নাইবা তেওঁ এৰি অহাৰ পিছত শিশুটোৰ অৱস্থা কি হৈছিল। The Times of India বাতৰি কাকতখনে এই সম্পৰ্কত এটা বিবৃতি প্ৰকাশ কৰিছিল যে শিশুটোৱে কাষৰ খাদ্য শিবিৰলৈ যাবলৈ সক্ষম হৈছিল। কিন্তু তাৰ পিছত শিশুটোৰ অৱস্থা কি হৈছিল সেয়া কোনো ব্যক্তিয়ে জনা নাছিল। পৰৱৰ্তী সময়ত কাৰ্টাৰক হয়তো এটি প্ৰশ্নই খুলি খাইছিল যে তেওঁ কিয় শিশুটোক সহায় নকৰি কেৱল ফটো লোৱা কাৰ্যতহে ব্যস্ত আছিল। ফ্লৰিডাৰ "The St. Petersburg Time"ৰ এটি বিবৃতি মতে "The man was adjusting his lens to take just the right frame of her suffering, might just as well be a predator of another volture on the scene." তাৰোপৰি চিত্ৰ নিৰ্মাতা ড'ন ক্ৰচৰ মতে "In his famous picture of vulture stalking the Sudanese girl, I began to see the embodiment of his troubled psyche. I believe Kevin did too. In the starving child he saw Africa's suffering; in the preying vulture he saw his own face." অন্যহাতেদি কাৰ্টাৰৰ জীয়ৰী মেগানৰ মন্তব্য মতে "I see my dad as the suferring child and the rest of the world as the vulture." অৱশ্যে মেগানে উপৰুক্ত বাক্যশাৰী দেউতাকৰ মৃত্যুত ভাঙি ক্ষোভত কোৱা বাক্য।

কাৰ্টাৰে যিখিনি সময়ত চিত্ৰ সাংবাদিকতাৰ কাম কৰিছিল সেইখিনি সময়ত দক্ষিণ আফ্ৰিকাৰ চিত্ৰ সাংবাদিকসকলক বলি হোৱা মহিলাৰ ওপৰত ফটো ল'বলৈ নিষেধ কৰা আছিল। এইখিনিতে মই এটা কথা উল্লেখ কৰিব খোজো যে বহুত ব্যক্তিয়ে হয়তু কাৰ্টাৰে কেৱল চুডানৰ শিশুটোক উদ্ধাৰ কৰিব নোৱাৰাৰ দুখত আত্মহত্যা কৰা বুলি ভাৱে। শিশুটোক উদ্ধাৰ কৰিব নোৱাৰাৰ দুখে কাৰ্টাৰক অসহায় কৰিছিল যদিও অন্য কিছুমান ঘটনাও তেওঁক জীৱন-মৰণ যুঁজখনলৈ ঠেলি দিছিল। বিংশ শতিকাৰ আশীৰ দশকত দক্ষিণ আফ্ৰিকাত চিত্ৰ সাংবাদিক হিচাপে জীৱিকা অৰ্জন কৰাটোৰ লগতে অন্য কিছুমান হতাশজনক ঘটনাৰ সংযোজনে কাৰ্টাৰক হতাশাৰ চাকনৈয়ালৈ ঠেলি লৈ গৈছিল। কাৰ্টাৰ আৰু তেওঁৰ বন্ধুবৰ্গ যেনে, কেন অষ্টাৰব্ৰুক, গ্ৰেগ মেৰিন'ভিচ্ আৰু জ'ক ছিলভাই বহুদিন ধৰি দক্ষিণ আফ্ৰিকাৰ বৰ্ণবৈষম্য নীতিৰ নিৰ্লজ্জ আৰু হতাশাজনক ছবিখন গোটেই বিশ্বাবাসীৰ ওচৰত দাঙি ধৰিবলৈ প্ৰয়াস কৰিছিল। তেওঁলোকে দক্ষিণ আফ্ৰিকাৰ সন্ত্ৰাস জৰ্জৰিত ছবিখন ইমান স্পষ্ট ৰূপত দাঙি ধৰিছিল যে জোহান্সবাৰ্গৰ এখন আলোচনীয়ে তেওঁলোকক "The Bang Bang Club" নামেৰে অভিহিত কৰে।

১৯৯৪ চনৰ ১৮ এপ্ৰিল তাৰিখে, কাৰ্টাৰে পুলিৎজাৰ বঁটা লাভ কৰা ছয়দিন পিছত দক্ষিণ আফ্ৰিকাৰ ট'কৰাত আচম্বিতে আৰম্ভ হোৱা এটা ভয়ংকৰ পৰিস্থিতিৰ ফটো ল'বলৈ বেং বেং ক্লাবটো ট'কৰা অভিমুখে ৰাওনা হয়। ঠিক দুপৰীয়া সময়ত

কার্টাৰ ঘৰলৈ ওভতি আহে। ক্ষন্তেক সময়ৰ পিছতে তেওঁ ৰেডিঅ'ত শুনা পালে যে উক্ত সংঘৰ্ষত অষ্ঠাৰব্রুকৰ মৃত্যু হয় আৰু মেৰিন ভিচ গভীৰভাৱে আহত হয়। অষ্ঠাৰব্রুকৰ মৃত্যুত কাৰ্টাৰ ভাঙি পৰিল আৰু তেওঁ নিজকে জগৰীয়া কৰিলে। চিত্ৰ সাংবাদিক হিচাপে কাম কৰা দিনবোৰত কাৰ্টাৰে সন্মুখীন হোৱা নৃশংসতাবোৰে যেন নেৰানেপেৰাকৈ তেওঁক আক্ৰমণ কৰিবলৈ ধৰিলে। তেওঁ অকলশৰীয়া আৰু বৰ অসহায় অনুভৱ কৰিবলৈ ধৰিলে। অৱশেষত কাৰ্টাৰে তেওঁৰ নিজৰ গাড়ীখনতে কাৰ্বন ম'নক্সাইডৰ বিষক্ৰিয়া ঘটাই আত্মহত্যা কৰে। তেওঁৰ আত্মহত্যাৰ টোকাটো এনে ধৰণৰ আছিল— "I am really, really sorry. The pain of life overrides the Joy to the point that Joy does not exist.....depressed...without phone...money for rent....money for children support....money for debts ...money! .....I am aunted by the vivid memories of killing and corpses and anger and pain.... of starving or wounded children..... of Trigger-happy-madman ....often police, of killer executioners - I have gone to join ken if I am that lucky... ."

**স্নেপস্কট ঃ ২**

কিন্তু আজি মই যিখন চিত্ৰৰ কথা বৰ্ণনা কৰিবলৈ ওলাইছো সেয়া কোনো বিখ্যাত চিত্ৰ সাংবাদিকৰ স্থিৰ চিত্ৰ নহয়। এই চিত্ৰখন হ'ল সমাজৰ মাজত থকা দীন-দৰিদ্ৰ, নিৰ্যাতিত, নিপীড়িতজনৰ প্ৰতি থকা ব্যক্তি বিশেষৰ এক অনুকম্পাৰ চিত্ৰ। সেই বিশেষ দিনটো আছিল ২০১৩ চনৰ ১০ জানুৱাৰী, বৃহস্পতিবাৰ। অত্যন্ত শীত আছিল। শীতৰ প্ৰকোপত যেন গুৱাহাটী মহানগৰীৰ জনজীৱন স্তব্ধ হৈ পৰিছিল। দিনৰ ভাগতো মানুহৰ সমাগম তেনেই সেৰেঙা আছিল। ডাঠ কুঁৱলীৰ আচ্ছাদনে কোমল ৰ'দকনকো যেন ওলাবলৈ বাধা দিছিল। জাপে জাপে কাপোৰ পিন্ধিও শৰীৰ উত্তাপ কৰিব নোৱাৰা শীত আছিল সিদিনা। শীতৰ প্ৰকোপত ৰাজ্যখনৰ বহুজনে প্ৰাণ হেৰুৱাইছিল। মই বিশ্ববিদ্যালয়ৰ যাবতীয় কাম-কাজখিনি যিমান পাৰি সিমান সোনকালে সমাধান কৰি একাপ গৰম চাহ খোৱাৰ ইচ্ছাৰে কোবাকুবিকৈ বিশ্ববিদ্যালয়ৰ প্ৰধান গেটৰ উত্তৰে থকা কেন্টিনখনলৈ আহো। আহি থাকোতে গেটৰ সন্মুখত এজনী ছয় বা সাত বছৰীয়া নাবালিকা আৰু তাইৰ কোলাত এটি কান্দি থকা নাঙঠ শিশু লক্ষ্য কৰিলো। নাবালিকাজনীৰ শৰীৰত তেনেই এটা কাগজৰ যেন পাতল, ছিঙা ছোলা আৰু তাইৰ কোলাত থকা কেচুৱাটোৰ (তাইৰ ভায়েক) শৰীৰত দেহটো ঢাকিব নোৱাৰা এটি মলিয়ন, পাতল চোলা। শীতৰ প্ৰকোপ আৰু ভোকে যেন সিহঁতক মাৰি মোহাৰি পোলাইছে। দুইটায়ে সিহঁতৰ কাৰেদি পাৰ হৈ থকা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য মানুহৰ মুখলৈ চাই আছে সামান্য সহায়ৰ অপেক্ষাত। কাৰো যে ভ্ৰূক্ষেপ নাই সিহঁতৰ অসহায় অৱস্থাক লৈ। সিহঁতক ভালদৰে আঁতৰৰ পৰা লক্ষ্য কৰিলো যদিও সিহঁতৰ সেই অৱস্থাটোৰ প্ৰতি ময়ো যেন, সিহঁতৰ কাৰেদি পাৰ হৈ থকা মানুহবোৰৰ দৰে অকনো সহানুভূতি প্ৰদৰ্শন নকৰি কেন্টিনখনলৈ গুচি আহিলো। কেন্টিনখনলৈ আহি মই বহিছোহে; ঠিক তেনেতে নাবালিকাজনীয়ে শিশুটোক কোলাত লৈ কেন্টিন খনলৈ সোমাই আহিছে। সিহঁতৰ পিছে পিছে আহিছে জিনচ্ আৰু জেকেট পৰিহিতা দুগৰাকী বিশ্ববিদ্যালয়ৰ ছাত্ৰী। সিহঁত আহি মোৰ কাষৰ টেবুলখনতে বহিছেহি। মই ছোৱালী দুজনী ভালদৰে লক্ষ্য কৰিলো। বিশ্ববিদ্যালয়ৰ আইনবিভাগৰ ইউনিফৰ্ম পৰিহিত ছাত্ৰ-ছাত্ৰীসকলক দেখিলে যেনেকৈ মাৰ্জিত, ৰুচিশীল যেন লাগে, অন্যান্য বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ অমাৰ্জিত পোছাক পৰিচ্ছদে বিশ্ববিদ্যালয়ৰ গুৰু গম্ভীৰ পৰিৱেশক আঘাত হনা যেন অনুভৱ হয়। তথাপি মোৰ কাষত বহা ছোৱালী দুজনীৰ চেহেৰা পাতি আৰু অভিব্যক্তিৰ পৰা সিহঁতক সম্ভ্ৰান্ত ঘৰৰ যেনেই লাগিছে। চেহেৰা-পাতি আৰু ব্যক্তিত্বৰ দৰে সিহঁতৰ আচৰনো আছিল সম্ভ্ৰান্ত। এজনী ছাত্ৰীয়ে কেচুৱাটোক কোলাত লৈ তাইৰ বুকুৰ ওম দিছিল। নিজৰ ডিঙিত থকা মাফলাখন খুলি কেচুৱাটোৰ উদং হৈ থকা ভৰি দুখনত মেৰাই দিলে। কেন্টিনখনৰ ওৱেটাৰ জনক মাতি কিবা গৰম খোৱাবস্তু আনিব দিলে। দুইজনী ছাত্ৰীয়ে শিশু দুটাক লৈ ইমান ব্যস্ত হৈ পৰিল যে, সিহঁতৰ দুখ-ভাগৰ, অভাৱ ভোক যেন সিহঁতে মুহূৰ্ততে নোহোৱা কৰি দিব। প্লেটৰ পৰা খোৱাবস্তুবোৰ লৈ দুইটাকে সিহঁতে মাতৃৰ মৰমেৰে খুওৱাবলৈ ধৰিলে। পাৰ্যমানে সিহঁতক বুকুৰ মৰম দিলে। কেচুৱাটোৰ মুখত কৰাল মাৰি লাগি থকা ধূলি, শেঙুন, চকুপানীৰ মলিয়ন আৱৰণটো এগৰাকী ছাত্ৰীয়ে হাতেৰে মোহাৰি পৰিস্কাৰ কৰি দিলে। অলপ সময়ৰ আগলৈকে শিশুটোৰ মুখত লাগি থকা আতংক, ভোক, যন্ত্ৰণাৰ ভাৱালেশ নোহোৱা হৈ হাঁহি বিৰিঙি উঠিল। অলপ পিছত নাবালিকাজনীৰ পৰা জানিব পাৰিলে যে সিহঁতৰ পিতৃ-মাতৃৰ মৃত্যু হৈছে। ছাত্ৰীদুগৰাকীয়ে মুহূৰ্ততে উচুপি উঠিল। বিশ্ববিদ্যালয়ৰ ছাত্ৰীৰ নিৰীহজনৰ প্ৰতি এনে অনুকম্পা দেখি ধন্য মানিলো।

Fecebook, internetত photo upload কৰি কৃত্ৰিম সহানুভূতিশীল মন্তব্য দিয়া সস্তীয়া মানসিকতাৰ ছোৱালী তেওঁলোক নাছিল। নতুবা জীৱনৰ চূড়ান্ত দুৰ্যোগৰ সময়ত আক্ৰান্তজনক দুৰ্যোগৰ পৰা ৰক্ষা কৰাৰ পৰিৱৰ্তে তেওঁৰ চিত্ৰ লৈ সংবাদ মাধ্যমৰ শিৰোনামা লাভ কৰি আলোড়ন সৃষ্টি কৰাৰ প্ৰৱণতাও তেওঁলোকৰ নাছিল।

মই নিজকে লজ্জিত ও হীন অনুভৱ কৰিলো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰীৰ প্ৰকৃত স্বৰূপ এটা সেইদিনা দেখা পালো। বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দেশৰ নিস্পেষিত জনৰ মাজত একাত্ম হ'ব পৰা মানৱীয় মূল্যবোধ সঁচাকৈয়ে আজিৰ দিনত প্ৰশংসনীয়। হত্যা, হিংসা, লুণ্ঠন, ধৰ্ষণ আদিৰ জৰ্জৰিত আমাৰ দেশখনৰ আজি সঁচাকৈয়ে মানৱীয় মূল্যবোধৰ অৱক্ষয় হ'ব ধৰিছে। গতিকে বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ এনেধৰণৰ মানৱতাবাদী দৃষ্টিভংগী, সংবেদনশীল আচাৰ আচৰণে ক্ৰমান্বয়ে বৃদ্ধি পাই গৈ থকা হৃদয়হীন, নিষ্ঠুৰ আধুনিক সভ্যতাক ভৱিষ্যতলৈ প্ৰত্যাহ্বান জনাব পাৰিব বুলি আশা ৰাখিছো।

**পুনশ্চ ঃ**

যদি মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰীৰ জৰিয়তে কেভিন কাৰ্টাৰ তথা সমগ্ৰ চিত্ৰ সাংবাদিকসকললৈ এটা প্ৰত্যাহবান জনাইছো তথাপি মোৰ হৃদয়ৰ কোনোবা এটা কোণত কাৰ্টাৰৰ প্ৰতি এটি সহানুভুতি বা দুৰ্বলতা ৰৈ গৈছে। মই তেতিয়া নগাঁও মহাবিদ্যালয়ৰ এজন ইংৰাজী সাহিত্যৰ স্নাতক আছিলো যিখিনি সময়ত কেভিন কাৰ্টাৰৰ এই বিশেষ ফটোখনে সমগ্ৰ বিশ্বৰে সংবাদ পত্ৰৰ শিৰোনামা দখল কৰিছিল। পৃথিৱীবিখ্যাত চিত্ৰকৰ মাইকেল এঞ্জেল, লিওনাৰ্ড ড্যা ভিন্সি, ৰাফেলৰ জীৱনী অধ্যয়ন কৰাৰ পিছত সংবাদ প্ৰত্ৰ, আলোচনী, ইণ্টাৰনেট আদিত ডোখৰীয়াকৈ কাৰ্টাৰৰ জীৱনী পঢ়িছিলো। তেখেতৰ কথাবোৰে ক'ব নোৱাৰাকৈ মোৰ হৃদয়ত কিছুমান দুখৰ সাঁচ বহুৱাই থৈ গৈছে। গতিকে উপৰোক্ত মোৰ লেখনিৰ দ্বাৰা যদি এই মহান চিত্ৰ সাংবাদিকগৰাকী জনসাধাৰণৰ দৃষ্টিত হেয় প্ৰতিপন্ন হৈছে তাৰ বাবে মই দুখিতঃ।

❖❖❖

# নিবনুৱাৰ নিয়োজন

—ৰবিন কুমাৰ কলিতা
(মুৰব্বী) সহকাৰী অধ্যাপক
অৰ্থনীতি বিভাগ

নিবনুৱা বুলিলে শাৰীৰিকভাৱে সক্ষম লোকে প্ৰচলিত মজুৰিৰ হাৰত কাম বিচাৰি কাম নোপোৱা অৱস্থাকে বুজায়। নিবনুৱা শিক্ষিত বা অশিক্ষিত হ'ব পাৰে। বৰ্তমান সমাজত নিবনুৱা লোকৰ সংখ্যা দিনক দিনে বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। গাঁওসমূহতো শিক্ষিত লোকৰ সংখ্যা বঢ়াৰ লগে লগে দেশত শিক্ষিত লোকৰ মাজত নিবনুৱাৰ প্ৰকোপ দ্ৰুতগতিত বৃদ্ধি হোৱা দেখা গৈছে। শিক্ষিত লোক নিবনুৱা হৈ থাকিলে দেশত অৰাজকতা, অপকৰ্ম বৃদ্ধি হয়, অশান্তিয়ে দেখা দিয়ে। সেয়েহে এই প্ৰকাৰৰ নিবনুৱাৰ প্ৰতি চৰকাৰৰ দায়িত্বও কম নহয়। বৰ্তমানত বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰত অৱস্থাৰ পৰাই কিছু পৰিমাণে হ'লেও সজাগ হোৱাৰ দৰকাৰ আছে। আমি চাকৰিমুখী হোৱাৰ পৰিবৰ্তে স্ব-নিয়োজিত হোৱাৰ মনোভাৱ গঢ়ি তুলিব লাগে। তেনে কৰিলে ব্যক্তিজনেও উচিত সময়ত আয় কৰিব পাৰিব, পৰিয়াল তথা দেশেও নিবনুৱা সমস্যাৰ পৰা উপশম পাব। ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰত অৱস্থাৰে পৰা মিতব্যয়ী হৈ কিছু পৰিমাণে হলেও সঞ্চয়ৰ অভ্যাস গঢ়ি তুলি ভৱিষ্যতে স্বাৱলম্বী হ'ব পাৰে। বৰ্তমানৰ বস্তুবাদী সমাজত অভাৱৰ সীমা নাই। সীমাহীন অভাৱ পূৰাবলৈ গৈ অযথা ধন ব্যয় কৰা দেখা যায়। তেনে কৰিলে দুখীয়া পিতৃ-মাতৃ ঋণত পৰে। অৱশেষত সেই ঋণৰ বোজা নিজে বহন কৰিবলগীয়া হয়। অনাহকত ম'বাইলত কথা পতা, বাইকত উঠি ইফালে-সিফালে ভ্ৰমণ কৰা, অযথা বস্তুবাদী হৈ পৰা সম্পদৰ অপব্যৱহাৰৰ উদাহৰণ।

ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰত অৱস্থাতে সংকল্প লৈ বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে। যিবিলাক ছাত্ৰ-ছাত্ৰীৰ পৰিয়ালত যথেষ্ট সা-সম্পত্তি নাই, তেওঁলোকৰ বাবে অধ্যয়নৰ গুৰুত্ব অধিক বুলি ভাবি গভীৰ অধ্যয়নৰ জৰিয়তে প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অৱতীৰ্ণ হৈ উত্তীৰ্ণ হ'ব পাৰে। অৱশ্যে ইয়াৰ বাবে তেওঁলোকৰ অলপ পৰিমাণে হ'লেও পৰামৰ্শৰ প্ৰয়োজন আছে। সেই পৰামৰ্শ শিক্ষাগুৰুসকলৰ পৰা আয়ত্ব কৰিব পাৰে।

বৰ্তমান সময়ত চৰকাৰে স্ব-নিয়োজনৰ বাবে বিভিন্ন আঁচনি ৰূপায়ন কৰি আহিছে। এই আঁচনিবোৰৰ সুবিধা ল'ব পাৰিলে স্বনিয়োজন পাব পাৰি। ইয়াৰ বাবে কিছু পৰিমাণে সজাগ হ'লেই হ'ল।

লুপ্তপ্ৰায় কুটিৰ শিল্পবোৰ পুনৰুজ্জীৱিত কৰিব পাৰিলে নিবনুৱা অৱশ্যে সমাধান হ'বই। এইবোৰৰ চাহিদাও কম নহয়। থাপনাৰ আগত দিয়া অৰিহণাৰ পৰাও এই বিধ শিল্প স্থাপন কৰি ৰাজ্য তথা দেশৰ ঐতিহ্য অটুট ৰাখিব পাৰি। এইবিধ শিল্পৰ প্ৰশিক্ষণ ব্যয়, কাৰিকৰী জ্ঞান তেনেই সামান্য হয়। ব্যক্তিগতকৰণ তথা বিশ্বায়নৰ যুগত ৰাজহুৱা খণ্ডৰ গুৰুত্ব কমি অহাত চাকৰিৰ সংখ্যা কমি অহা স্বাভাৱিক। কিন্তু মনোবল, দৃঢ়তা, একাগ্ৰতা, নেতৃত্ব তথা সংগঠকৰ দায়িত্ব বহন কৰিব পাৰিলে নিবনুৱাসকলে নিয়োজন লাভ কৰিব পাৰে। উৎপাদনত ক্ষতিশংকা, অনিশ্চয়তা স্বাভাৱিক। এইখিনি বহন কৰি দক্ষ সংগঠকে অতিৰিক্ত আয় অৰ্জন কৰে। গতিকে দক্ষ সংগঠক হ'বলৈ প্ৰয়াস কৰা উচিত।

সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয়ে ৰাষ্ট্ৰীয় দক্ষতা উন্নয়ন পৰিষদ (NSDC) ৰ লগ লাগি মহাবিদ্যালয় সমূহত বলবৎ কৰিবলৈ লোৱা বিভিন্ন পাঠ্যক্ৰমসমূহেও অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ দক্ষতা বৃদ্ধি কৰি নিয়োগ পোৱাত সুবিধা দিব। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগ অতিকৈ কাম্য।

কৃষি খণ্ডত ছদ্মবেশী নিবনুৱাৰ পয়োভৰ দেখা যায় যদিও বহু তৰপীয়া কৃষিৰ জৰিয়তে এতিয়াও আৰু অধিক নিয়োজন পাব পাৰি। অতীজৰে পৰাই কৃষিখণ্ড অৱহেলিত হৈ আহিছে। কৃষকক সন্মান কৰিব নজনা সমাজত কৃষক হোৱাৰ কথা নতুন প্ৰজন্মই নাভাবে। কৃষিখণ্ডই যদি অৰ্থনীতিৰ ৰাজহাড় হয় তেন্তে কৃষিখণ্ডক গুৰুত্ব দিবই লাগিব। কৃষকক সন্মান কৰিব পাৰিলে নতুন প্ৰজন্মই কৃষিখণ্ডত আধুনিক পদ্ধতিৰ সহায়ত নিয়োজন নিশ্চয় পাব।

খুচুৰা ব্যৱসায় নিয়োজনৰ এটা উত্তম উপায়। পৰিচালনাৰ দক্ষতা আৰ্জিব পাৰিলে খুচুৰা ব্যৱসায়ৰ জৰিয়তেও যুৱ প্ৰজন্মই নিয়োজন পাব পাৰে। এনেদৰে চালে দেখা যায় যে নিবনুৱাৰ হতাশাৰ কোনো কাৰণ নাই। লাগে মাত্ৰ মনোবল, দৃঢ়তা আৰু একাগ্ৰতা। কৰ্ম সংস্কৃতি ঘূৰাই আনিব পাৰিলে নিবনুৱা তথা দাৰিদ্ৰতা দূৰ হ'বই।

❖❖❖

## কৌতুক

—দুলুমনি দেৱী
ষষ্ঠ ষান্মাসিক

(১)

শিক্ষক : যি আনৰ উপকাৰ কৰে, তেওঁকহে মানুহ বোলে।

ছাত্ৰ : ছাৰ, তেনেহ'লে আপুনি মানুহ নহয়, কʼতচোন আপুনি পৰীক্ষা হʼলত আমাক উপকাৰ নকৰে।

(২)

অফিচৰ পৰা ঘূৰি আহি গিৰীয়েকে ঘৈনীয়েকক ক'লেহি হেৰা, অফিচৰ পৰা কেইজনমান বন্ধু চাহ খাবলৈ আহিব। তুমি চাহ খোৱা বাচনবোৰ লুকুৱাই থোৱা।

ঘৈণীয়েক : কিয়? তোমালোকৰ কোনোবা হাত লৰ প্ৰকৃতিৰ নেকি?

গিৰিয়েক : নহয় হে বাচনখিনি দেখা পালে অফিচৰ বুলি তেওঁলোকে চিনি পাব?

# সংস্কৃতি অধ্যয়নৰ (Cultural Studies) ধাৰণা ঃ এক অৱলোকন

—অভিৰাম চৰকাৰ
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

লোক-সংস্কৃতি (Folklore) মানৱ জাতিৰ সমানেই প্ৰাচীন। মানৱ জাতিৰ জন্মৰ লগে লগে লোক সংস্কৃতিৰো জন্ম হয়। যেতিয়াৰ পৰা মানুহে সমাজ পাতি বসবাস কৰিবলৈ লৈছে তেতিয়াৰ পৰাই সৃষ্টি হৈছে লোক-সংস্কৃতি জাতীয় সমলৰ। মানৱ জাতি যিমানেই আদিম নহওক, এনে কোনো সমাজ নাই য'ত কোনো নহয় কোনো ধৰণৰ গীত গোৱা নহয়। কোনো ধৰণৰ সাধু কথা কোৱা নহয়, নৃত্য কৰা নহয়, তথা কোনো আচাৰ-অনুষ্ঠান কৰা নহয়। এই সকলোবোৰেই আছিল প্ৰাচীন সমাজৰ লোক-সংস্কৃতিৰ উপাদান।

কিন্তু তুলনামূলকভাৱে লোক-সংস্কৃতিৰ বিজ্ঞান সম্মত অধ্যয়ন, যাক আমি লোক-সংস্কৃতি বিজ্ঞান (Folklristics) বুলি নামাকৰণ কৰিছে তাৰ ইতিহাস অৰ্বাচীন। ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ পৰাহে ইয়াৰ পদ্ধতিগত চিন্তা চৰ্চা আৰম্ভ হয়। লোক-সংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণাৰ লগত জড়িত আছিল ইউৰোপৰ চিন্তাজগত। সেই সময়ত ইউৰোপত দুটা আন্দোলনে গা কৰি উঠিছিল। তাৰে এটা আছিল ৰোমাণ্টিক আন্দোলন আৰু আনটো আছিল জাতীয়তাবাদ ভিত্তিক আন্দোলন। ৰোমাণ্টিক আন্দোলনৰ ফলস্বৰূপে মানুহৰ মনত অতীত প্ৰীতি, নগৰমুখীৰ ঠাইত গ্ৰাম্যমুখী প্ৰৱণতা আৰু সাধাৰণ গঞা মানুহৰ তেওঁৰ ওপৰত আস্থা স্থাপন। এই জাতীয়বাদ ভিত্তিক আন্দোলনৰ ফলত শাসক গোষ্ঠীৰ বিপৰীতে কোনো মানৱ গোষ্ঠীৰ আধাৰত ৰাষ্ট্ৰৰ স্থিতিৰ কথা অৱধাৰণা কৰা হৈছিল। তাৰফলস্বৰূপে মানৱ গোষ্ঠীসমূহে বহন কৰা পৰম্পৰাগত সংস্কৃতিলৈ দৃষ্টি নিক্ষেপ কৰিছিল। তেতিয়া ধাৰণা কৰা হৈছিল যে একোটা মানৱ গোষ্ঠীৰ প্ৰকৃত সত্তাৰ পৰিচয় নিহিত হৈ আছে, তেওঁলোকৰ সংস্কৃতিৰ উপাদানৰ মাজত।

লোক-সংস্কৃতি সমলৰ মৰ্যাদা আৰু তাৰ প্ৰণালীগত সংগ্ৰহ তথা বিশ্লেষণৰ দিশত প্ৰথমে নাম ল'ব লাগিব জাৰ্মানীৰ। জাৰ্মান দেশীয় হাৰ্ডাৰ (Herder) নামৰ ব্যক্তিজনে ঘোষণা কৰিলে যে জাৰ্মানীৰ প্ৰকৃত আত্মা বিচাৰিব লাগিব জাৰ্মানীয় সাধাৰণ গাঁৱলীয়া মানুহৰ গীত-মাত, সাধুকথা, প্ৰবাদ-প্ৰবচন আদি সমূহৰ মাজত, জাৰ্মানৰ প্ৰকৃত আত্মাৰ অনুসন্ধান কৰিবলৈ তেওঁ, জাৰ্মানীৰ নবীন চামক আহ্বান জনালে। সেই আহ্বান মৰ্মে ওলাই আহিলে গ্ৰীমভ্ৰাতৃদ্বয়। জেকব গ্ৰীম আৰু উলিয়াম গ্ৰীম। তেওঁলোকে জাৰ্মান দেশীয় লোক পৰম্পৰাগতভাৱে প্ৰচলিত বহু সংখ্যক সাধুকথা আৰু পুৰণি কাহিনীসমূহ সংগ্ৰহ কৰি ১৮২২ চনত প্ৰকাশ কৰি উলিয়াইছিল। যাক জাৰ্মান দেশীয় ভাষাত কোৱা হৈছিল "Kinder-Und-Hausmarchen" (কিনণ্ডাৰ আণ্ড হাউছমাৰছেন) ইংৰাজীত কোৱা হৈছিল— "Childrens and House hold Tales" আৰু অসমীয়া ভাষাত কোৱা হৈছিল— "শিশু আৰু গৃহৰ উপযোগী সাধু কথা"। জাৰ্মান দেশীয় এই পৰম্পৰাগত লোক



কথা আৰু পুৰাতত্ব ৰাজিক বুজাবৰ বাবে গ্ৰীম ভ্ৰাতৃদ্বয়ে "Volkskunde" পদটো ব্যৱহাৰ কৰিছিল। যাৰ অৰ্থ Volk মানে লোক আৰু Skunde ৰ অৰ্থ অভিজ্ঞতা অৰ্থাৎ লোক অভিজ্ঞতা।

এই দৰে জাৰ্মানীত ব্যৱহৃত হোৱা 'Volkskunde' শব্দটিয়ে ইংলেণ্ডতো অনুপ্ৰেৰণা যোগাইছিল। ইংলেণ্ডত লোক-সংস্কৃতি জাতীয় সমলক বুজাবৰ বাবে প্ৰাথমিক অৱস্থাত 'Popular Literature', 'Popular Antiquities' আদি বিভিন্ন শব্দৰে বুজোৱা হৈছিল। কিন্তু ১৮৪৬ চনৰ ২২ আগষ্ট তাৰিখে "The Athenacum" নামৰ আলোচনীখনত পোন প্ৰথমবাৰৰ বাবে "Folklore" পদটো প্ৰয়োগ কৰা হয়। বৃটিছ পুৰাতত্ববিদ উইলিয়াম জন থমছ (William John Thoms) নামেৰে ব্যক্তিজনে "Athnacum" কাকতৰ সম্পাদকলৈ লিখা চিঠিত বৃটিছ সকলৰ ৰীতি-নীতি, পৰম্পৰা আদিক বুজাবৰ বাবে 'Folklore' অভিধাৰে সামৰাৰ পৰামৰ্শ দিছিল। তেতিয়াৰ পৰাই পৰম্পৰাগতভাৱে চলি অহা ৰীতি-নীতিসমূহৰ চিন্তা-চৰ্চাৰ বিষয়বস্তুক বুজাবলৈ লোক-সংস্কৃতি (Folklore) নামেৰে নামাংকিত কৰা হৈছিল আৰু ইংৰাজী ভাষাৰ Folklore শব্দটোৰ অৰ্থ দিয়া হৈছিল এনে ধৰণৰ Folk মানে লোক অথবা সাধাৰণ আৰু Lore মানে বিদ্যা বা জ্ঞান অৰ্থাৎ জনসাধাৰণৰ জ্ঞান বা অভিজ্ঞতা। ইংৰাজী ভাষাৰ এই Folklore শব্দটোৱে অতি কম সময়ৰ ভিতৰতে গোটেই বিশ্বত বিয়পি পৰিছিল।

ভাৰতবৰ্ষতো Folklore ৰ প্ৰতিশব্দ হিচাপে লোকমান, লোকশ্ৰুতি, লোকবৃত্ত, ফোক'লোৰ, জানপদ, সংস্কৃতি, নাট্ৰপুৰ উইয়েল আদি বিভিন্ন শব্দৰে বুজোৱা হৈছিল। ভাৰতীয় আন ভাষাৰ লেখিয়াকৈ অসমীয়া ভাষাত Folklore শব্দৰ প্ৰতিশব্দ হিচাপে লোক-সংস্কৃতি, জন-কৃষ্টি আদি বিভিন্ন শব্দৰ অৱতাৰণা কৰা হৈছিল। ইয়াৰ পৰা আমি ক'ব পাৰো যে বহুদিন আগৰ পৰাই Folklore শব্দৰ দ্বাৰা লোক-সংস্কৃতিৰ সমল আৰু লোক-সংস্কৃতিৰ সমলৰ অধ্যয়নকেই বুজোৱা হৈছিল; কিন্তু তাৰ পৰৱৰ্তী কালত যেতিয়া লোক-সংস্কৃতিৰ অধ্যয়নে এটা বিশেষকৃত বিষয় হিচাপে স্বীকৃতি লাভ কৰিব ধৰিলে তেতিয়াৰ পৰা কিছুমান অবাঞ্ছিত খেলিমেলি তথা বিভিন্ন ধৰণৰ প্ৰশ্নৰ অৱতাৰণা উঠিব ধৰিলে যে, লোক-সংস্কৃতিৰ সমল আৰু সেই সমলৰ পদ্ধতিগত অধ্যয়ন একেটা অভিধা অৰ্থাৎ Folklore শব্দৰে চিহ্নিত কৰা উচিত নে? এনেবোৰ প্ৰশ্ন উঠাৰ পিছত লোক সংস্কৃতিৰ সমলখিনিক বুজাবলৈ Folklore আৰু সেই সমলৰ অধ্যয়নক বুজাবলৈ Folklore Studies, Folklore research যাক আমি অসমীয়া ভাষাত লোক-সংস্কৃতি অধ্যয়ন আৰু লোক-সংস্কৃতি গৱেষণা আদি বিভিন্ন নামেৰে প্ৰয়োগ কৰো।

ইয়াৰ উপৰিও লোক-সংস্কৃতি অধ্যয়নকাৰী মহলত ইংৰাজী ভাষাত আন এটি অভিধাই খোপনি পুতিছে। সেইটো হৈছে Folklife অৰ্থাৎ লোকজীৱন। যি সকল সংস্কৃতিবিদসকলে Folklore অৰ ঠাইত Folklife বুলি অভিহিত কৰিছে। তেওঁলোকৰ মতে Folklore অভিধাটোৱে লোক-সংস্কৃতিৰ প্ৰথাগত অধ্যয়নৰ ওপৰত গুৰুত্ব দিয়ে অৰ্থাৎ লোক-সাহিত্য তথা মৌখিক সাহিত্যৰ সমলৰ ওপৰতহে প্ৰাধান্য দিয়ে। তাৰ পৰিবৰ্তে লোক-সংস্কৃতিৰ অন্যান্য সমলৰ প্ৰতি বিশেষকৈ বস্তুগত সমলৰ প্ৰতি মনোযোগ নিদিয়ে। সেয়েহে Folklife অভিধাৰ সপক্ষে মন্তব্য আগবঢ়োৱা সংস্কৃতিবিদসকলে বস্তুগত সংস্কৃতিৰ সামগ্ৰীসমূহক আলোচনাৰ ক্ষেত্ৰলৈ আনি সমগ্ৰ বিষয়টোৰ ওপৰত ভিত্তি কৰি এক নতুন নাম Folklife গ্ৰহণ কৰিছে। Folklife অভিধাটোৰ অৰ্থ ভাৰতীয় প্ৰাদেশীক ভাষাসমূহক বেলেগ বেলেগ নামাৰে অভিহিত কৰিছে আৰু অসমীয়া ভাষাত এই Folklife অভিধাটোক বুজাবৰ বাবে লোক জীৱনচৰ্যা বুলি অভিহিত কৰা হৈছে।

❖❖❖

# অসমীয়া জাতিৰ ভৱিষ্যত ঃ এটি আলোচনা

—দিলীপ শইকীয়া
জ্যেষ্ঠ কাৰ্যালয় সহায়ক

অসমৰ চাৰিসীমাৰ ভিতৰত বসবাস কৰা বিভিন্ন ধৰ্ম, ভাষাৰ জনগোষ্ঠীয় লোকসকলৰ নিজা নিজা এক বৈশিষ্ট্য বিদ্যমান। পৰম্পৰাগতভাৱে চলি অহা প্ৰতিটো ধৰ্মৰ জাতি-উপজাতিসমূহৰ পূজা-অৰ্চনা, উৎসৱ-পাৰ্বন পালন কৰা পদ্ধতি বেলেগ বেলেগ। পূজা, উৎসৱ উদ্‌যাপনৰ জৰিয়তে নিজৰ জাতিটোৰ সংস্কৃতি ৰক্ষা কৰাটো প্ৰত্যেকৰে দায়িত্ব আৰু কৰ্তব্য বুলি বিবেচনা কৰা হয়। ইছলাম ধৰ্মাৱলম্বী লোকসকলে যি পূজা-অৰ্চনা বা উৎসৱ পালন কৰে সি এটা সময়ৰ ভিতৰত আৱদ্ধ থাকে। বেছি জাক-জমকতাৰে আনন্দত মতলীয়া হৈ আপোন পাহৰা হোৱা দেখা নাযায়।

হিন্দু ধৰ্মৰ বিভিন্ন জাতি-উপজাতিসমূহৰ ভিতৰত চাহ জনগোষ্ঠী, বড়ো, তিৱা, নেপালী জনগোষ্ঠীয় লোকসকলে যি পূজা বা জাতীয় উৎসৱ পালন কৰে তাৰ এটা সীমাবদ্ধতা আছে। জাতিৰ মৰ্যাদা অক্ষুন্ন ৰাখি অতি সতৰ্কতাৰে সু-শৃংখলভাৱে উৎসৱ-পাৰ্বনসমূহ পালন কৰা দেখা যায়। ওপৰত উল্লেখ কৰা সম্প্ৰদায়ৰ লোকসকলে উৎসৱ উদ্‌যাপনৰ দোহাই দি ৰাজপথত পুৰুষ মহিলা সমন্বিতে চান্দা (collection) সংগ্ৰহ কৰাটো প্ৰায় পৰিলক্ষিত নহয়। হিন্দু ধৰ্মৰ বেংগলী সম্প্ৰদায়ৰ লোকসকলৰ ক্ষেত্ৰত এটা জনশ্ৰুতি আছে 'বাৰ মাহে তেৰ পূজা'। এই সম্প্ৰদায়ৰ জনগণে বিভিন্নজন দেৱ দেৱীৰ পূজা অৰ্চনা কৰে যদিও বহল প্ৰচাৰ নহয়। পূজা-অৰ্চনাৰ নামত কোনো লোককে collectionৰ সুবিধা লৈ হাৰাশাস্তি কৰা দেখা নাযায়। দুৰ্গা পূজাৰ দৰে এটা ব্যয়বহুল পৰ্ব পালন কৰোতেও হয়তো অনুদান আগবঢ়োৱাসকলে কপালত হাত থ'বলগীয়া অৱস্থা নহয়। সাধ্যানুসৰি যিয়ে যি পৰিমাণৰ অনুদান আগবঢ়ায় তাতেই উদ্যোগক্তাসকল সন্তুষ্ট। ধন সংগ্ৰহৰ নামত বাটে-পথে দাং বান্ধি গাড়ী-মটৰৰ গৰাকী অথবা যাত্ৰীসকলক আমনি নিদিয়ে।

হিন্দু ধৰ্মাৱলম্বীসকলে বিপদ বিঘিনিৰ পৰা পৰিত্ৰাণ পাবলৈ যিমান দেৱ-দেৱী আৰু নানান প্ৰকাৰৰ ভগবানৰ নামত পূজা-অৰ্চনা কৰো আন ধৰ্মৰ অনুগামীসকলে হয়তো সিমান ভাবিবলৈ সময় নাই। স্থান আৰু কাল ভেদে, লক্ষ্মী, সৰস্বতী, দুৰ্গা, কালী, গণেশ, শিৱ, ভগৱতী, বুঢ়া গোসাঁই, বুঢ়ী আই, মনসা আৰু বহুতো দেৱ-দেৱীক পূজা-অৰ্চনা কৰো। বিপদৰ পৰা ৰক্ষা পাবলৈ এজন ঈশ্বৰকে কেইবাটাও নাম দি দুই হাত যোৰ কৰি উচ্চাৰণ কৰো— হে ভগৱান, হে ৰাম, হে কৃষ্ণ, হে ভোলানাথ। এজন বিপদগ্ৰস্ত ব্যক্তিয়ে যেতিয়া একে সময়তে একে কামতে কেইবাজনো বিপদ নাশকৰ নাম লয় তেতিয়া সেই ভগৱান কেইজনৰ মাজত হিহা-হিহিৰ ভাৱ হয় আৰু



বিপদগ্ৰস্তজনে পৰিত্ৰাণৰ বিপৰীতে মৃত্যুৰ মুখতো পৰিব পাৰে।

এইখিনিতে এটা কাহিনী মনত পৰিছে। কাহিনীটো এনে ধৰণৰ— তিনিজন বৰ নলে-গলে লগা বন্ধু আছিল। তেওঁলোকে এদিন উৰাজাহাজত উঠি ভ্ৰমণ কৰিবলৈ ৰাওনা হ'ল। বন্ধু তিনিজনৰ ভিতৰত এজন হিন্দু ধৰ্মৰ এজন খ্ৰীষ্টান ধৰ্মৰ আনজন ইছলাম ধৰ্মৰ। আকাশমাৰ্গেৰে কিছু দূৰ যোৱাৰ পিছত উৰাজাহাজখনৰ যান্ত্ৰিক বিজুতি ঘটিল। উপায় নাপায় এজনে হে আল্লা বুলি চিঞৰ এটা মাৰি জাঁপ দিলে। আন এজনে হে গড্ বুলি আৰ্তনাদ কৰি জাঁপ দিলে। তৃতীয়জনে হে ভগৱান, হে ৰাম, হে কৃষ্ণ বুলি দুইহাত এক কৰি জাঁপ দিলে। প্ৰথম দুজনে নিৰাপদে কোনো হানি-বিঘিনি নোহোৱাকৈ প্ৰাণ ৰক্ষা পালে। কাৰণ তেওঁলোকে এজন ঈশ্বৰৰ নাম লৈ জাঁপ দিয়াত হাত পাতি ধৰিলে। তৃতীয়জনে কেইবাজনো ত্ৰাণ কৰ্তাৰ নাম লোৱাত মুখ থেকেচা খাই পৰি ইহলীলা সম্বৰণ কৰিলে। প্ৰথমে হে ৰাম বুলি উচ্চাৰণ কৰাত ৰামে সাজু হ'বৰ নৌপাওতেই হে কৃষ্ণ বুলি মতাত ৰামে ৰূপ সলাই কৃষ্ণৰ বেশ পৰিধান কৰি থাকোতেই বেচেৰা হামখুৰি খাই পৰি মৃত্যুক সাৱটি ল'ব লগা হ'ল। তেওঁ দুয়োজন বন্ধুক মৰ্ত্যত এৰি থৈ যোৱাটো সহ্য কৰিব নোৱাৰি যমৰাজক সুধিলে— "মহাৰাজ আমি তিনিও জনেতো একে সমানে জাপ দিছিলো। তেওঁলোকক এৰি মই অকলে কিয় ইয়ালৈ আহিব লগাত পৰিলো?" যমৰাজে উত্তৰ দিলে— "হেৰৌ মূৰ্খ তোমাৰ বন্ধু দুজনে কেৱল এজন ঈশ্বৰৰ নাম লৈ জাপ দিয়াত ঈশ্বৰে হাত পাতি ধৰিবলৈ অসুবিধা নহ'ল। তুমিতো কেইবাজনো ঈশ্বৰৰ নাম ল'লা। ইজনৰ পিছত সিজনে ৰূপ সলাই আহি পাই মানে তুমি মুখ থেকেচা খালা। এনেদৰে হিন্দু ধৰ্মৰ লোকসকলে বেছিকৈ বিপদৰ সন্মুখীন হ'ব লগা হয়।" সঁচাকৈ আমি হিন্দু ধৰ্মৰ লোকসকলে এজন ঈশ্বৰকে বিভিন্ন নাম দি সন্তুষ্ট কৰিবলৈ গৈ সৰ্বহাৰা হৈ পৰিছো। আৰ্থিকভাৱে জুৰুলা হৈছো। বছৰটোৰ অধিকাংশ সময় অপচয় কৰি পৰিয়ালৰ উন্নতিৰ কথা ভাবিব নোৱাৰা হৈছো।

তাতোকৈ অধিক শোচনীয় অৱস্থা অসমীয়া জাতিটোৰ। নানা তৰপৰ পূজা, উৎসৱ। অৱশ্যে এটা জাতিৰ সংস্কৃতি, একতা, ঐক্য, শান্তি ৰক্ষাৰ বাবে জাতীয় উৎসৱসমূহ পালন কৰাটো নিতান্তই আৱশ্যক। সেয়ে মহাপুৰুষীয়া তিথি, লক্ষ্মী পূজা, সৰস্বতী পূজা, গণেশ পূজা, শিৱৰাত্ৰী আদি পালন কৰাটো নৈতিক দায়িত্ব আৰু কৰ্তব্য। কিন্তু উৎসৱ উদ্‌যাপনৰ ক্ষেত্ৰত মাৰাত্মক ব্যাধিৰূপে দেখা দিছে অসমীয়া জাতীয় উৎসৱ ৰঙালী বিহুটি। এই বিহু ৭ দিনীয়া। এই সাত দিনৰ ভিতৰত প্ৰতিটো দিনকে ভিন্ন নামকৰণ দি একাদিক্ৰমে পালন কৰা হয়। বিভিন্ন ৰং-ধেমালী, গীত-মাত আৰু বিহু নৃত্য প্ৰদৰ্শন উপভোগ কৰি আমি আনন্দ লভো। এই সাত বিহুৰ ভিতৰতে সামাজিক প্ৰথাৰে পৰ্ব পালন কৰাৰ উপৰি ঠায়ে ঠায়ে মঞ্চ বিহু প্ৰতিযোগিতা, সাংস্কৃতিক সন্ধিয়া আদি কাৰ্যসূচী হাতত লোৱা হয়। কিন্তু দেখা যায় ৰঙালী বিহু উপলক্ষে আধুনিক নৃত্য প্ৰতিযোগিতা, মঞ্চ বিহু প্ৰতিযোগিতা, বিশেষ আকৰ্ষণীয় সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰিবলৈ গৈ গোটেই ব'হাগ মাহটো অতিক্ৰম কৰি জেঠ মাহত প্ৰবেশ কৰে। জেঠ মাহটো বিহু উদ্‌যাপন কৰিবলগীয়া হোৱাৰ কাৰণ নথকা নহয়। উদাহৰণ স্বৰূপে এটা অঞ্চলত ১৫ খন গাঁও আছে। তাৰোপৰি NGO বা ক্লাবসমূহকো বাদ দিব নোৱাৰি প্ৰতিখন গাঁও, ক্লাব বা NGOৱে দুদিনীয়া কাৰ্যসূচীৰে বিহু উদ্‌যাপন কৰিবলৈ হ'লে জেঠ মাহত প্ৰৱেশ কৰাটো আচৰিত কথা নহয়। প্ৰতিখন বিহুতলিৰ বিষয়ববীয়াই উদ্‌যাপনত হোৱা খৰচৰ জোৰা মাৰিবলৈ ধন সংগ্ৰহ (Collection বুলি ক'লে বেচি পৰিচিত) সেই অঞ্চলৰ ভিতৰতে কৰিব লাগিব। দুই-একে দুৰণিবটিয়া কোনো আত্মীয়ৰ পৰা Collection নকৰা নহয়। কিন্তু সেইখিনি তেনেই নগন্য। কল্পনা কৰক ১৫ৰ পৰা ১৮ খন বিহু

তলিত গড়ে ১০০.০০ টকাকৈ চান্দা দিবলৈ হ'লে কিমান ধন আপোনাৰ পকেটৰ পৰা ওলাই যাব। তাৰোপৰি কাৰ্যসূচী উপভোগ কৰিবলৈ পত্নীৰ সৈতে দুই হাতত ধৰি যোৱা বংশধৰ কেইটা আছেই। ঘৰৰ পৰাই আৰম্ভ কৰিব মই এখন ৰিম'ট কণ্ট্ৰ'লৰ গাড়ী ল'ম, পেপা লাগিব, বেলুন লাগিব। আনজনে মাত দিব মোক হ'লে চিপচ, মৰটন, মেংগ' ফ্ৰুইট লাগিব। গাঁৱলীয়া ভাষাত ক'বলৈ গ'লে কমেও মহাত্মা গান্ধীয়ে চছমা পিন্ধা ৰঙীণ চাব থকা কাগজ এখন জেপত থাকিব লাগিব।

বিহু উদ্‌যাপন সমিতিসমূহে অঞ্চলৰ চৰকাৰী চাকৰিয়ালসকলৰ ওপৰত গধুৰ দায়িত্ব অৰ্পণ কৰে। চান্দাৰ নামত পাঁচশৰ পৰা হাজাৰ পৰ্যন্ত দাবী কৰা দেখা যায়। উপায়ন্তৰ হৈ কিছুয়ে সমিতিসমূহে বিচৰাৰ দৰে অনুদান আগবঢ়ালেও খৰচৰ শিতান জমাৰ শিতানতকৈ অধিক হোৱা দেখা যায়। কাৰ্যসূচীৰ অন্তত এখন ধাৰৰ তালিকা দাখিল কৰিবলগীয়া হয়। যেতিয়াই ধাৰৰ বোজা আহি পৰে তেতিয়া মূল সভাপতি আৰু সম্পাদকৰ বাহিৰে বাকীবোৰ বিষয়ববীয়াই মূৰ পোলোকা মাৰিব বিচাৰে। উপায়ন্তৰ হৈ সভাপতি-সম্পাদকে সমিতিৰ সন্মান ৰক্ষাৰ্থে জেপৰ ধন উলিয়াই দিব লগা হয়। পৰৱৰ্তী সময়ত কোনো অনুৰাগী ব্যক্তিৰ সহযোগত সমতা স্থাপনৰ পদক্ষেপ ল'লেও আশানুৰূপ নহয়। এনেদৰে ধাৰৰ বোজা লৈ বছৰ বছৰ ধৰি বিহু উদ্‌যাপন কৰিবলৈ যাঁওতে গাঁওখন বা অঞ্চলৰ বহুত ক্ষতি হয়। চ'ত মাহৰ প্ৰায় ১৫ দিন যোৱাৰ পৰা জেঠ মাহৰ মাজভাগলৈ বিহু উদ্‌যাপনৰ নামত ব্যস্ত থকাৰ ফলত ঘৰুৱা কাম কাজৰ প্ৰতি অনিহা আহে, এলেহুৱা হৈ পৰে। উপাৰ্জনৰ পথ স্থবিৰ হৈ পৰাত অভাৱ পূৰণৰ বাবে সা-সম্পত্তিৰ ওপৰত হাত দিবলৈ হয়তো বাধ্য হ'ব পাৰে।

অসমীয়া জাতিটোৱে উদ্‌যাপন কৰা বিহু আৰু পূজা সম্পৰ্কত আলোচনা কৰি থাকোতে এদিন এজন মুছলমান আৰু এজন বেংগলী সম্প্ৰদায়ৰ বন্ধুৱে এটা গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াই ছিল। 'তোমালোক অসমীয়াবোৰে জেঠ মাহলৈ বিহু পাতা, গাঁৱে-গাঁৱে পূজা পাতা। সেইবোৰত লাগি থাকোতে উপাৰ্জন নোহোৱা হ'ব। অভাৱত পৰি মাটি সম্পত্তিক বিক্ৰী কৰিবা আৰু অনা-অসমীয়াখিনিয়ে সুবিধা লৈ তোমালোকৰ সন্মুখতে গজগজীয়া হয়।" তেওঁলোকৰ বক্তব্যখিনি অসমীয়া জাতিটোৰ বাবে লজ্জাজনক হ'লেও কিন্তু এশ শতাংশই শুদ্ধ। প্ৰায়বোৰ অসমীয়া এলেকাত চুকে-কোণে মুছলমান বা বেংগলী সম্প্ৰদায়ৰ লোকে বসতি কৰিবলৈ লোৱাটো পৰিলক্ষিত হয়। আমাৰ অকৰ্মণ্যতা আৰু এলেহুৱা প্ৰবৃত্তিৰ বাবে এওঁলোকে সুবিধা লৈ আমাৰ বৰ ঘৰত বহিবলৈ আহি পাইছে। কিছু বছৰৰ পিছত এঘৰ দুঘৰকৈ তেওঁলোকৰ সংখ্যা বাঢ়িব। সংখ্যাগৰিষ্ঠ প্ৰমাণ হোৱাৰ পিছত অসমীয়া পৰিয়াল কেইটাই মাটি-বাৰী, সা-সম্পত্তিখিনি তেওঁলোকৰ হাতত অৰ্পণ কৰি পথৰ ভিক্ষাৰী হোৱাৰ বাহিৰে গত্যন্তৰ নাই। অসমীয়া জাতি বুলিবলৈ কোনো শব্দ নাথাকিব। য'ত অসম সাহিত্য সভা বা বুদ্ধিজীৱীসকলে 'অসমীয়া কোন' তাৰ সংজ্ঞা নিৰূপণ কৰিবলৈ ব্যৰ্থ হৈছে।

এতিয়া আহিছো অসমীয়া জাতীয় উৎসৱ ভোগালী বিহুলৈ। কেইদিনমান আগলৈ মাঘ বিহুৰ উৰুকা দিনা ভেলা ঘৰত গাঁৱৰ সৰুৰ পৰা বৃদ্ধলৈ একেলগে ভোজভাত খোৱাটো বাধ্যতামূলক আছিল। বিহুৰ দিনা ৰাতিপুৱা গা ধুই মেজিৰ জুইৰ তাপ লোৱাটো এক পৰম্পৰা। এতিয়া কিন্তু সেই পৰিৱেশ বেছি সংখ্যক অঞ্চলতে দেখা নাযায়। কেইজনমান ডেকা ল'ৰাই পৰম্পৰা ৰক্ষাকৰিবলৈ গৈ এডাল বাঁহকে চাৰিফাল কৰি সৰুকৈ হ'লেও এটা ভেলাঘৰ সাজি ওপৰত শুকান কল চুচলি দি ভোজ ভাত খায়। মেজি সাজিবলৈ সামৰ্থ নাই। মেজি সাজিবলৈ প্ৰয়োজনীয় ধান খেৰৰ অভাৱ। ধান খেৰ পাব ক'ৰ পৰা। প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি যি অলপ খেতি কৰে তাকো মুছলমান বা বেংগলী লোকে বিঘাই প্ৰতি এটা নিৰিখত চুকানী দিয়ে। তেওঁলোকে মাটিৰ গুৰিতে এক ইঞ্চিও বাদ নপৰাকৈ খেৰবোৰ কাটি নি পশু ধনক পোহপাল দি ৰাখিছে। আমালৈ থাকে মাথো ডোবলৰ আলি কেইটা আৰু ফাট মেলা বসুমতিৰ ধূসৰ ৰূপ। আমাৰ যি দুই এটা গৰু-ছাগলী আছে খাদ্যৰ অভাৱত লেৰেলা-চেপেটা হৈ পৰিছে। গাঁৱৰ ভাই-ককাই কেইটাই লগলাগি এসাজ খাবলৈ আমাৰ সময় নাই। কিন্তু ইংৰাজী নৱবৰ্ষ ১ জানুৱাৰী খাবলৈ হাজাৰ হাজাৰ টকা খৰচ কৰিবলৈ কুণ্ঠাবোধ নকৰো। পৰিয়ালৰ প্ৰত্যেকজন সদস্যৰে সুকীয়া সুকীয়া গ্ৰুপ। এটা পৰিয়ালৰ পৰা যে কিমান ধন ওলাই যায় অনুমান কৰিব নোৱাৰি। অসমীয়া সম্প্ৰদায়ৰ বাহিৰে অন্য সম্প্ৰদায়ৰ লোকসকলৰ ক্ষেত্ৰত পৃথক যিহেতু তেওঁলোকে ভোগালী বিহু উদ্‌যাপন নকৰে। গতিকে আমি ইংৰাজী নৱবৰ্ষক আদৰণি জনোৱাৰ বিপৰীতে গাঁৱৰ সকলোৱে মিলি ভেলাভোজ এসাঁজ গ্ৰহণ কৰিলে নিশ্চয় অসমীয়া জাতীয় সংস্কৃতিৰ বান্ধোন কটকটীয়া হ'ব।

অসমৰ জাতীয় উৎসৱৰ কনিষ্ঠতম উৎসৱ হৈছে কাতি বিহু বা কঙালী বিহু। এই কঙালী বিহুত প্ৰতিঘৰে সন্ধিয়া চোতালৰ আগত ৰোপন কৰা তুলসী গছৰ তলত দেউল সাজি ঘৰৰ গৃহিনীহঁতে বা আইতাহঁতে গীত গায় —

> দেউল গ'ল দেউল গ'ল
> বৰঘৰৰে নেউল গ'ল।

আবেলি সময়ত ধাননি বা অন্য শস্যৰ পথাৰত মিঠাতেলৰ চাকি জ্বলাই ৰবাব টেঙাৰ বাকলি চতিয়াই দিয়া হয় যাতে শস্য অনিষ্টকাৰী পোক-পতংগ আৰু ব্যাধিবোৰ আঁতৰি যায়। সন্ধিয়া চোতালত আকাশ বন্তি জ্বলোৱা হয়। কিন্তু বৰ্তমান সময়ত গৃহিনীহঁতৰ সময়ৰ অভাৱৰ বাবে কাৰ্যসূচী অনুষ্ঠুপীয়াকৈ পালন কৰা হয়। আইতাহঁতে নাতি-নাতিনীহঁতক চম্ভালি থাকোতে দেউল গাবলৈ সময়কে নাপায়। অৱশ্যে কোনো কোনো অঞ্চলত পৰম্পৰা ৰক্ষা কৰিবলৈ গৈ কৃত্ৰিমভাৱে এই উৎসৱ পালন কৰা দেখা যায়। হ'লেও পূৰ্বৰ যি উল্লাস সেয়া কিছু ম্লান হৈছে।

অসমৰ বুদ্ধিজীৱী তথা শিক্ষাবিদসকলেও অসমৰ জাতীয় উৎসৱ বা পূজা পাৰ্বনসমূহৰ প্ৰতি দৃষ্টি নিক্ষেপ নকৰা নহয়। অসমীয়া জাতিৰ সংস্কৃতি ৰক্ষা কৰিবলৈ গৈ আমিবোৰে কৰি থকা কাৰ্যকলাপৰ প্ৰতি সন্তুষ্টি প্ৰকাশ কৰি প্ৰতিবছৰে বন্ধৰ তালিকা প্ৰকাশ কৰি আহিছে। লক্ষ্মী পূজাৰ দিনা, কাতি বিহুৰ দিনা, বহাগ বিহু আৰু মাঘ বিহুৰ উৰুকাৰ দিনা চৰকাৰী কৰ্মচাৰী বা স্কুল-কলেজসমূহ বন্ধ নাথাকে। শ্ৰীকৃষ্ণ ৰাস উৎসৱত বন্ধ নাই মাত্ৰ গুৰুনানকৰ জন্মদিন হিচাপে এদিন বন্ধ থাকে। শিল্পী দিৱস, ৰাভা দিৱসটি পালনীয় দিন হিচাপে মানি চলিবলৈ নিৰ্দেশ দিয়া আছে। কিন্তু অনুষ্ঠানসমূহে সেই দিৱসটি পালনৰ ক্ষেত্ৰত কি ভূমিকা গ্ৰহণ কৰিছে তাক পৰ্যবেক্ষণ কৰিবলৈ সেই নীতি নিৰ্দ্ধাৰণকাৰীসকলে কি পদক্ষেপ লৈছে সেয়া বিচাৰ্য বিষয়।

মুছলমানসকলৰ ঈদ যদি মাহৰ ২০ তাৰিখে উদ্‌যাপন হয় তেন্তে সেই মাহৰ ১৫ তাৰিখৰ ভিতৰত চৰকাৰী দৰমহা আদায় দিবলৈ কোষাগাৰ বিষয়াসকলক চৰকাৰৰ কঠোৰ নিৰ্দেশ। কিন্তু অসমীয়াৰ বিহু হওক বা পূজা হওক দুই তিনিমাহ পাৰহৈ গ'লেও কৰ্মচাৰীসকলক দৰমহা দিয়াৰ কথা চৰকাৰে নাভাবে। যাৰ ফলত অসমীয়া চৰকাৰী কৰ্মচাৰীসকলে নিজৰ সন্তানকেইটাৰ এযোৰ নতুন কাপোৰ পিন্ধাব নোৱাৰে এসাজ তৃপ্তিৰে খাবলৈ মূৰে-কপালে হাত দিব লগা অৱস্থা হয়।

হায়!! অসমীয়া সমাজ, অসমীয়া জাতি। জাতীয় সংস্কৃতি ৰক্ষাৰ নামত আমি অসমীয়াসকলে যি ভেকো-ভাওনা কৰি আছো তাৰ পৰিণাম উত্তৰপুৰুষে ভোগ কৰিব লাগিব। খেতি পথাৰত কাম কৰিবলৈ বাদ দি অনা-অসমীয়া ভাবীৰ ওপৰত দায়িত্ব অৰ্পণ কৰি আমি চৰকাৰী চাকৰি বা কোনো ব্যক্তিগত

কোম্পানীৰ কাম বিচাৰি চহৰমুখী হৈছে। এনে ধৰণৰ আচৰণে যে আমাক ধ্বংসৰ মুখলৈ ঠেলি পঠাইছে সেইটো ধ্ৰুৱপ। অনুমান হয় কম দিনৰ ভিতৰতে অসমীয়া জাতিটো নিশ্চিহ্ন হৈ যাব।

সেয়ে সদৌটি অসমীয়া জাতীয়তাবোধ থকা ব্যক্তিলৈ অনুৰোধ ৰাখিছো তেওঁলোকে যাতে জাতীয় সংস্কৃতি ৰক্ষাৰ নামত ব্যয় বাহুল্য নকৰি সীমিত ব্যয় আৰু সময়ৰ সৎ ব্যৱহাৰ কৰি ঐক্যবদ্ধভাৱে আগবাঢ়ি আহে। অসমীয়া জাতিটোক ধ্বংস কৰিব খোজা অপশক্তিৰ বিৰুদ্ধে যুঁজ দিবলৈ সাজু হোৱাৰ সময়। চুবুৰীয়ে চুবুৰীয়ে জেঠ মাহলৈ বহাগী উৎসৱ পাতিবলৈ বন্ধ কৰক। সমূহীয়াভাৱে অঞ্চলভিত্তিত এটা স্থান নিৰ্দ্ধাৰণ কৰি লওক। ১ জানুৱাৰী উদ্‌যাপন বৰ্জন কৰি মাঘ বিহুৰ ভেলাভোজ খোৱাৰ ব্যৱস্থা কৰক। তেতিয়াহে অসমৰ জয়গান গোৱা মহাপুৰুষসকলৰ সপোন বাস্তৱ ৰূপ দিবলৈ সক্ষম হ'ব।

❖❖❖

## কৌতুক

—ৰূপমণি বৰা
স্নাতক দ্বিতীয় বৰ্ষ

১। এদিনাখন কিনকিনিয়া বৰষুণ দিয়াৰ পিছত ৰবি মাক আৰু দেউতাৰ সৈতে বজাৰলৈ গৈছিল। বাপেকে এটা মহালেক্ট' চকলেট দিলে। ৰবিয়ে চকলেটটো খাই থাকোতে হঠাতে মুখৰ পৰা পৰি গ'ল। তেতিয়া দেউতাকে ক'লে— পৰা বস্তু বুটলিব নাপায় নহয়। অলপ দূৰ যোৱাৰ পিছত মাক পিছলি পৰিল, তেতিয়া বপেকে মাকক তুলি দিব ধৰোতে ৰবিয়ে ক'লে— আপুনিচোন কৈছিল পৰা বস্তু তুলিব নাপায় এতিয়া মাক কিয় তুলিবলৈ গৈছা।

২। শিক্ষক ঃ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক এজনে ক্লাছত সোমাই ছাত্ৰ এজনক প্ৰশ্ন কৰিলে— "তুমি কোৱাচোন আগৰ দিনৰ মানুহবোৰে পূৰণ অংক কৰিব জানিছিল নে নাজানিছিল ?"
ছাত্ৰ ঃ নাজানিছিল চাৰ। কাৰণ পূৰণ অংক কৰিব নোৱাৰা বাবে ৰাৱনে সীতাক হৰণ কৰি লৈ গৈছিল, বঢ়িয়া হৈছে। এই প্ৰশ্নটোৰ উত্তৰ যদি পৰীক্ষাৰ বহীত লিখা তেতিয়াহলে তোমাৰ উত্তৰ ০ লগত ১০০ পূৰণ কৰিলে যিমান হয় সিমান পাবা।

৩। এগৰাকী সুন্দৰী যুৱতীয়ে তীব্ৰবেগত গাড়ী চলাই গৈ আছিল। ট্ৰেফিক পুলিচে বিপদৰ গোন্ধ পাই সুহুৰি বজালে। গাড়ী নৰখালে ৰূপহীয়ে। পুলিচজনে বাইকেৰে পাছ লৈ এসময়ত গাড়ীখন ৰখালে আৰু ক'লে— "মেদাম মই সুহুৰি বজোৱা শুনা নাই নেকি? কিয় গাড়ী নৰখালা?"
ঃ সুন্দৰীয়ে উত্তৰ দিলে— "যদি মই প্ৰতিটো সুহুৰি শুনি এইদৰে গাড়ী ৰখাব লাগে তেন্তে এই জীৱনত মই ঘৰ নাপাম গৈয়েই।"



# সৰ্দাৰবাড়ি খেল আৰু নমশূদ্ৰ সম্প্ৰদায়

ধন্য ৰাম ৰয়
সহকাৰী (মুৰব্বী) অধ্যাপক, ইতিহাস বিভাগ

নমশূদ্ৰ সম্প্ৰদায়ৰ লোকসকলৰ বিবাহৰ সময়ৰ এটি আকৰ্ষণীয় উপাদান হৈছে 'সৰদাৰবাড়ি খেল'। আজিৰ পৰা ২০-২৫ বছৰৰ পূৰ্বে প্ৰায় সকলোবোৰ বিবাহ বৰযাত্ৰীৰ লগত একোটাকৈ সৰদাৰবাড়ি খেলৰ দল গৈছিল। আজিকালি এই খেলখনৰ অস্তিত্ব নোহোৱা হৈ পৰিছে। 'সৰদাৰবাড়ি খেলৰ দল' মানে হৈছে— এটি ২০-২৫ জনীয়া যুৱকৰ দল, যিসকলে ৬-৭ হাত দীঘল বাহৰ লাখুটি আৰু ২.৫ ফুট দীঘল ভলুকা বাহ ফালি ধুনীয়াকৈ চুঁচি বনোৱা এছাৰিৰে, যাক 'নড়ি' বুলি কোৱা হয়, বিশেষ নিয়মৰ মাজেৰে কৌশলপূৰ্ণ খেল প্ৰদৰ্শন কৰে। এই খেলত এজন গুৰু থাকে, যাক 'ওস্তাদ' বোলা হয়। প্ৰত্যেকজন খেলুৱৈক 'ছিৰাই' বোলে। প্ৰত্যেকজন 'ছিৰাই' নড়ি আৰু লাখুটিৰে ৰণ কৌশল প্ৰদৰ্শন কৰাত পাকৈত। এই সৰ্দাৰবাড়ি দলে কইনা ঘৰলৈ দৰা যাত্ৰা কৰোঁতে নড়ি আৰু লাখুটি (লাঠি) মন্ত্ৰপূত পানীৰে স্নান কৰাই ধ্বনি দিয়ে, যাক 'ডাক' বুলি কোৱা হয়। বৰযাত্ৰী যাত্ৰা কৰাৰ সময়ত কেইটামান 'ডাক' দিয়ে। তাৰে কেইটামান তলত উল্লেখ কৰা হ'ল—

১। ওৰে সাজিয়া-কাচিয়া ছিৰাই মুখে দিল পাণ,
ঘৰে থাইকা বাহিৰ হইল পূৰ্ণিমাৰি চানৰে ...।
২। ওৰে এক চন্দ্ৰ গগণেতে অন্ধকাৰ হৰে,
একপুত্ৰ বংশে হইলে বংশ উজ্জ্বল কৰেৰে ...।
৩। ওৰে কি কৰ মা কালী! কি কৰ বসিয়া!
তোমাৰ পুত্ৰ ৰণে যায়, জয় দেও আসিয়াৰে ...।
৪। ওৰে কালী কালী কালী বলে পথে দিলাম পাওঁ,
কালীৰ হাওয়া লাগল এসে আমাৰি গায়ৰে ...।

গোটেই যাত্ৰা পথতে এই দলে সমূহীয়াভাৱে বিভিন্ন ডাক দি দি যায়। যাত্ৰা পথত কোনো গাঁৱৰ মাজেদি গ'লে, সেইখন গাঁৱত যদি সৰদাৰবাড়ি খেলা দল থাকে, তেন্তে তেওঁলোকে এই বৰযাত্ৰীৰ লগত যোৱা সৰদাৰবাড়ি দলক 'ডাক' দি 'ডাকৰ' প্ৰতিযোগিতাৰ বাবে আমন্ত্ৰণ জনায়। এনে ক্ষেত্ৰত ডাকৰ প্ৰতিযোগিতাখন বৰ ৰোমাঞ্চকৰ হয়। এই ডাকসমূহত নানা শাস্ত্ৰসন্মত তথ্য থাকে। শাস্ত্ৰজ্ঞ ব্যক্তিয়েহে এনে ডাকৰ প্ৰতিযোগিতাত জয়লাভ কৰে। যিটো দলে পৰাজিত দলৰ পৰা মাননিৰ লগতে বশ্যতাৰ স্বীকাৰোক্তি আদায় কৰে। এই 'ডাক'সমূহ এনে ধৰণৰ—

**প্ৰতি পক্ষ সৰ্দাৰ ঃ**

১। ওৰে শুন শুন অহে ছিৰাই বলি যে তোমাৰে,
শত কোটি প্ৰণাম জানাই তোমাৰি চৰণেৰে...।

এই 'ডাক'ৰ উত্তৰত বৰযাত্ৰীৰ লগত যোৱা সৰ্দাৰৰ দলে একেটা 'ডাক'কেই দিয়ে। যেনে—

**বৰ পক্ষ সৰ্দাৰ ঃ**

২। ওৰে শুন শুন অহে ছিৰাই বলি যে তোমাৰে,
শত কোটি প্ৰণাম জানাই তোমাৰি চৰণেৰে...।

**প্ৰতি পক্ষ সৰ্দাৰ ঃ**

৩। ওরে কোথায় তোমার নিমাই শান্তি?
কোথায় তোমার ধাম?
কে বা তোমার রাজ্যের রাজা?
কি বা তোমার নামরে...?

**বৰ পক্ষ সৰ্দাৰ ঃ**

৪। শূণ্যে আমার নিমাই শান্তি,
শূণ্যে আমার ধাম,
জনগণ রাজ্যের রাজা,
শ্যাম চরণ আমার নামরে...।

**প্ৰতি পক্ষ সৰ্দাৰ ঃ**

৫। ওরে হরিদ্রারি ডগ মগ,
মুগূরারি সার,
গুরু যখন গর্ভে ছিল,
শিষ্য ছিলা কাররে ....?

**বৰ পক্ষ সৰ্দাৰ ঃ**

৬। ওরে, হরিদ্রারি ডগ মগ,
মুগূরারি সার,
গুরু যখন গর্ভে ছিল,
শিষ্য ছিলাম নিরঞ্জন গোসাঁইররে ...।

**প্ৰতি পক্ষ সৰ্দাৰ ঃ**

৭। ওরে কচু পাতা ঢুপলা ঢুপলা,
মেঘ আন্ধিরা রাইত,
তোমরাযে বরপাত্র নিয়া আইছ,
কোন কোন জাইতরে ....?

**বৰ পক্ষ সৰ্দাৰ ঃ**

৮। ওরে, কচু পাতা ঢুপলা ঢুপলা,
মেঘ আন্ধিরা রাইত,
আমি শূদ্র, ব্রাহ্মণ, মালি, ঋষি,
সংহতি আমাররে ....।

বাটত যিমান গাঁও পায় প্ৰত্যেক গাঁৱত প্ৰৱেশ কৰাৰ সময়ত তেওঁলোক যে সৰদাৰ সেইটো 'ডাক' দি তাৰ উমান দিয়ে। অৱশ্যে আজি-কালি এই সৰদাৰৰ দল বিবাহ বৰযাত্ৰীৰ লগত যোৱাটো দেখিবলৈ পোৱা নাযায়।

বিবাহ বৰযাত্ৰী কইনা ঘৰৰ পদুলিমুখ পোৱাৰ লগে লগে সৰদাৰৰ দলে 'ডাক' দি দি আগুৱাই যায়। ইপিনে কইনা ঘৰৰ পদুলিত ৰৈ থকা কইনাঘৰীয়া সৰদাৰৰ দলে 'ডাক' দি ডাকৰ প্ৰতিযোগিতাৰ বাবে আমন্ত্ৰণ জনায়। ফলত, দুয়ো পক্ষৰ মাজত ডাকৰ প্ৰতিযোগিতা হয়, কথা কটা-কটি হয়, যুক্তি তৰ্ক হয়। ইয়াত সকলোৱে বৰ আমোদ পায়। এই 'ডাক'সমূহ ইতিপূৰ্বে উল্লেখ কৰি অহা 'ডাক'সমূহৰ সৈতে একেই। শেষত দুয়ো দলৰ মাজত বন্ধুত্ব হয়, দুয়ো পক্ষৰ মিলন হয় আৰু অন্যান্য নিয়মৰ অন্তত বৰযাত্ৰীসহ বিবাহ বাহৰত প্ৰৱেশ কৰে।

নমশূদ্ৰ সম্প্ৰদায়ৰ বিবাহ কাৰ্যসূচী দুদিনীয়া। আগ দিনা 'হাঞ্জা বিয়া' আৰু পিছ দিনা 'বাসী বিয়া'। বাসী বিয়া হৈ গলে, বৰযাত্ৰীৰ লগত যোৱা সৰদাৰৰ দলে তেওঁলোকৰ খেল প্ৰদৰ্শন কৰে। লাখুটি আৰু নড়িৰে প্ৰতিদ্বন্দ্বী দুজনকৈ ডেকাই যুদ্ধক্ষেত্ৰত কেনেকৈ লাঠি চলাব লাগে, কেনেকৈ আত্মৰক্ষা কৰিব লাগে আদি কৌশলবোৰ প্ৰদৰ্শন কৰে। আন সৰদাৰসকলে খেলৰ মাজে মাজে ডাক দি প্ৰতিদ্বন্দী দুজনৰ খেলত উৎসাহ যোগায়। এই খেল প্ৰদৰ্শন কৰোঁতে কেতিয়াবা প্ৰতিদ্বন্দীৰ নড়িৰ কোবত কোনোবা খেলুৱৈ বেয়াকৈ আঘাত প্ৰাপ্তও হয়। এই খেল প্ৰদৰ্শন কৰোতে কোনোবা খেলুৱৈয়ে তন্ত্ৰ-মন্ত্ৰৰো সহায় লয়। মন্ত্ৰৰ বলত প্ৰতিপক্ষৰ আক্ৰমণৰ পৰা বাচিবলৈ নিজৰ শৰীৰটো বন্ধ কৰি লয়। এনে কৰিলে প্ৰতিপক্ষই যিমান মাৰিলেও শৰীৰৰ কোনো ক্ষতি নহয়। কোনোবা খেলুৱৈয়ে 'লুকানো মন্ত্ৰ' ব্যৱহাৰ কৰে। এনে কৰিলে প্ৰতিপক্ষই আক্ৰমণৰ বাবে চোঁচা ল'লে হঠাৎ অদৃশ্য হৈ যায়। কোনেও তেওঁক বিচাৰি নাপায়। ক্ষন্তেক পিছত মানুহৰ ভিৰৰ মাজৰ পৰা ওলাই আহি আকৌ খেলত অংশগ্ৰহণ কৰে। এনেক্ষেত্ৰত প্ৰতি পক্ষ খেলুৱৈজনে বৰ বিব্ৰত বোধ কৰে। নিজ দলৰ সৰদাৰৰ মাজত প্ৰতিদ্বন্দ্বিতা হ'লে, দুয়ো প্ৰতিদ্বন্দ্বীয়ে বিপক্ষক বিশেষ শাৰীৰিকভাৱে প্ৰহাৰ নকৰে। কিন্তু কেতিয়াবা ওচৰ-চুবুৰীয়া আন সৰদাৰৰ দল আহি বৰযাত্ৰীৰ লগত অহা সৰদাৰৰ দলৰ লগত প্ৰতিদ্বন্দ্বিতা কৰে। এনে ক্ষেত্ৰত দুই দলৰ পৰা পাকৈত পাকৈত এজন এজনকৈ সৰদাৰক খেলত নমাই দিয়া হয়। এনে খেলক 'কাউৰা খেল' বুলি কোৱা হয়। এনে খেল বৰ ভয়ানক হয়। এনে খেল খেলৰ পৰিবৰ্তে আচল যুদ্ধক্ষেত্ৰলৈ পৰিণত হয়। দুয়ো প্ৰতিদ্বন্দ্বীয়ে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ আপ্ৰাণ চেষ্টা কৰে। এনে ক্ষেত্ৰত কোনোবা প্ৰতিদ্বন্দ্বী গোটেই জীৱনলৈ ঘূণীয়াও হৈ পৰে। এই খেলৰ জনাজাত কেইটামান পেছ আছে। এই কেইটা এনেধৰণৰ—

১। হিৰাধৰ-বিদ্যাধৰ পেছ
২। মালিৰ পেছ
৩। জুলাৰ পেছ
৪। তাঁতিৰ পেছ
৫। ওল্টা পেছ
৬। বংশী পেছ (মান্দাই পেছ)

খেলৰ অন্তিম মুহূৰ্তত গীতৰ তালে তালেও খেল প্ৰদৰ্শন কৰা হয়। এই গীতক 'ৰং গান' বুলি জনা যায়। এই খেলৰ লগত জড়িত কেইটিমান গীত তলত উল্লেখ কৰা হ'ল—

১। (ক) বিদেশে জাইঅ'নারে শ্যাম,
শ্যাম তুমি দেশে থাক,
আমারে কাছে রাখ',
বিদেশের' টাকা দিয়া কে দিছে দালান!
বিদেশে জাইঅ'নারে শ্যাম।
(খ) শ্যাম তুমি দেশে থাক,
আমারে কাছে রাখ',
হাঁসি মুখে কও কথা,
জুড়াইক' পরাণ।
বিদেশে জাইঅ'নারে শ্যাম।

৪। ঘোর কলি কাল পড়ে গেল',
লীলা চমৎকার।
কলির যুগে জাতি ধর্ম
রইলনা যে আর।
আজ বিয়ার চলন হইল,
নাপিত-বামন উইঠা গেল,
ওইযে ছাপ-কাউলায় বিয়া হইল,
কোটের' মাঝার।
যারা ছিল মানির মান,
তারাই পাইল অপমান,
ইতরে পাইল সন্মান দেশের মাঝার।
ঘোর কলি কাল পইরা গেল'...।

৬। (ক) ছোট বউ, বড় বউ,
শাক তুলিতে যায়।
টিয়া রঙ্গের মাতাইল দেইখা,
ফিরা ফিরা চায়।
রঙ্গের মাতাইললো,
কেমন কামলায় তোরে বানাইছে!
(খ) যে বানাইছে, সে বানাইছে,
তারনি নাগুর পাই।
কি না রঙ্গের মাতাইল দেইখা,
ফিরা ফিরা চায়।।
রঙ্গের মাতাইল ল',
কেমন কামলায় তোরে বানাইছে!

৭। (ক) রাধে চাইলানা ফিরিয়া,
আকুল হইল আমার প্রাণ
তোমার লাগিয়া।
রাধে চাইলানা ফিরিয়া।।
(খ) তুমি হইলা প্রেমের নদী,
আমি হইলাম নাইয়া।
রাধে চাইলানা ফিরিয়া।।
(গ) তুমি হইলা প্রেম যমুনা,
আমি মইলাম বাইয়া।
রাধে চাইলানা ফিরিয়া।।

বাসী বিবাহ হৈ গ'লে 'পাক পৰশ' হয়। এই 'পাক পৰশ'ৰ খোৱা-বোৱাৰ অন্তত গধূলি বেলা বৰ-কন্যা লৈ সৰ্দাৰৰ দল বৰ অৰ্থাৎ দৰা ঘৰলৈ যাত্ৰা কৰে। এই যাত্ৰাৰ সময়তো সৰ্দাৰৰ দলে কেইটিমান 'ডাক' দিয়ে। এই 'ডাক'সমূহ এনে ধৰণৰ—

১। ওরে, এতকাল পালছিরে পাখি,
মুখে আধার দিয়া,
এখন কেনে ছাইরা যাও,
আমায় ফাঁকি দিয়ারে ...।
আগে যদি জানতাম পাখি,
আমায় যাবি ছাড়ি,
না করিতাম লালন-পালন,
না শিকাইতাম বুলিরে ...।

২। কেঁদনা মা জননী,
কেঁদনাগো তুমি,
মানব দেহ আসা-যাওয়া,
সর্ব শাস্ত্রে জানি।
পিতা ধর্ম, পিতা স্বর্গ,
পিতাহি পরম তপঃ
পিতৃ আজ্ঞা শিরে লইয়ে,
চলছি আপন ঘরেরে ...।

কন্যা লৈ বৰযাত্ৰীসকল দৰা ঘৰৰ পদূলি মুখত আহি সৰ্দাৰৰ দলটো দুভাগত বিভক্ত হয়। এটা দলে বৰ অৰ্থাৎ দৰাক আগভেটা দি ধৰে ও দুই পক্ষৰ মাজত তলত উল্লেখ কৰা 'ডাক'সমূহৰ মাজেদি কথাৰ কটা-কটি হয়—

**প্ৰতি পক্ষ সৰ্দাৰ ঃ**

১। ওরে শুন শুন জামাইবাবু,
দানে পাইলা ধুতি,
এত বস্ত্র পাইল তুমি,
আমাগো দিবা কিরে ...?
দিবস-রজনী ভরে,
আছি তব সাথে,
আমাদের মনের বাঞ্ছা,
পূর্ণ কর তাতেরে ...।

**জামাই পক্ষ সৰ্দাৰ ঃ**

২। ওরে উপার দিয়া যাওরে ছিবাই,
আইলিয়া মাথার কেশ,
গত রাত্রে যে ঝড়ি হইয়াছিল,
আছিলা কোন দেশেরে ...?

**প্ৰতি পক্ষ সৰ্দাৰ ঃ**

৩। ওরে লাঠির বারিতে করে ঠন ঠন,
এই শব্দ হইল যখন,
কলপ ছুটিয়া পড়ে ঘরে,
চৈধ্য হাজার ছিবাই মরে তাহার ভিতররে...।

**জামাই পক্ষ সৰ্দাৰ ঃ**

৪। ওরে ইহ রাত্র প্রভাত কালে,
কোকিল করে রাওঁ,
খুলে দেও মন্দিরের কপাট,
লাগোক শীতল বাওঁরে ...।

**প্ৰতি পক্ষ সৰ্দাৰ ঃ**

৫। আইস আইস প্রাণ বন্ধু,
খাওরে বাটার পাণ,
হাঁসি মুখে কহ কথা,
জুড়াইক পরাণরে ...।

তলত কেইটিমান ডাকৰ পালা উল্লেখ কৰা হ'ল—

১। সাবিত্রী-সত্যবান পালা
২। শিব-পার্বতী পালা
৩। ৰাধা-কৃষ্ণ পালা
৪। সতানন্দ মণি ও বিশ্বামিত্র মণি পালা
৫। গুরু-শিষ্য পালা (বৈষ্ণব মত)
৬। গুরু-শিষ্য পালা (শাক্তম মত)
৭। সতানন্দ মণি ও বশিষ্ঠ মণি পালা
৮। ধনী-নির্ধনী পালা



## সতানন্দ মনি ও বিশ্বামিত্র মনি পালা

১। (১ম পক্ষ) ঃ
ওরে, শুন শুন অহে ছিবাই বলিযে তোমায়,
শত কোটি প্রণাম জানাই তোমার চরনেরে. ...।

২। (২য় পক্ষ) ঃ ঐ

৩। (১ম পক্ষ) ঃ
ওরে কোথায় তোমার নিমাই-শান্তি,
কোথায় তোমার ধাম?
কেবা তোমার রাজ্যের রাজা?
কিবা তোমার নামরে. ...?

৪। (২য় পক্ষ) ঃ
ওরে, শূন্যে আমার নিমাই-শান্তি,
শূন্যেই আমার ধাম,
জনগণ রাজ্যের রাজা,
'শ্যামচরণ' আমার নামরে. ...।

৫। (১ম পক্ষ) ঃ
ওরে, কোথায় তোমার হস্ত-পদ?
কোথায় তোমার বাস?
কোন মার গর্ভে ছিলা পূর্ণ দশ মাস?
আছিলা কি সুখে? খাইছ কার বুকে?
কে কইরাছে ভবসিন্ধু পার?
কয় চন্দ্রে, কয় সূর্যে জনম তোমাররে . ...?

৬। (২য় পক্ষ) ঃ
ওরে, শূন্যে আমার হস্ত-পদ,
শূন্যে আমার বাস,
সতী মায়ের গর্ভে ছিলাম পূর্ণ দশ মাস।
আছিলাম বড় সুখে, খাইছি মায়ের বুকে,
মায় কইরাছে ভবসিন্ধু পার।
এক চন্দ্রে, এক সূর্যে জনম আমাররে. ...।

৭। (১ম পক্ষ) ঃ
ওরে, কোথায় তোমার ছই-ছাপ্পর,
কোথায় তোমার ঝুলি?
দেহে আছে পঞ্চ আত্মা,
কোন আত্মার কি বুলিরে . ...?

৮। (২য় পক্ষ) ঃ
ওরে, পিঠখান আমার ছই-ছাপ্পর,
পেটখান আমার ঝুলি,
দেহে আছে পঞ্চ আত্মা,
এক এক আত্মার এক এক বুলিরে ...।

৯। (১ম পক্ষ) ঃ
ওরে, কোথা হইতে উঠে হাওয়া?
কোথা হইতে ধায়?
কেবা তোমার হাইলের মাঝি?
কেবা বইঠা বায়রে ...?

১০।(২য় পক্ষ) ঃ
ওরে, উজান হইতে উঠে হাওয়া,
ভাটি হইতে ধায়,
মন মাঝি আমার হাইলের কাণ্ডারি
বইঠা বায় মাল্লা ছয়জনায়রে. ...।

১১।(১ম পক্ষ) ঃ
ওরে, চৌখুণ্ডি পুষ্করিণী তাতে আছে জল,
কয় গাছের বাকল তুমি,
কয় গাছেরে ফলরে?
কয় খেতের আলি তুমি?
কয় খেতের বীজ?
কয় গাছের পাতারে?
কোথায় আছে কাচা-পাকা?
কোথায় জ্বলে বাতিরে ...?
কাহার আজ্ঞায় আসলা তুমি?
কাহার আজ্ঞা কারীরে ...?

১২।(২য় পক্ষ) ঃ
ওরে, চৌখুণ্ডি পুষ্করিণী তাতে আছে জল,
এক গাছের বাকল আমি,
এক গাছের ফল,
এক খেতের ফসল আমি,
এক খেতের বীজ,

এক গাছের লতা আমি,
এক গাছের পাতা,
আমার দেহে আছে কাচা-পাকা,
আমার দেহে জ্বলে বাতিরে,
গৌড়ের আজ্ঞায় আসলাম আমি,
তারই আজ্ঞা কারীরে ...।

১৩।(১ম পক্ষ) ঃ
ওরে, ইন্দ্রের অমরা পুরীর পারিজাত গাছে,
দিন দশ লক্ষ পুষ্প ধরে,
একটি পুষ্পের দাম হইল সোয়ামোন সোনা,
চারি যুগে হয় কত মোন সোনা?
এই কথার নির্ণয় করিয়া দেন মহাশয়,
পশ্চাত বলব কথা য'ত মনে লয়রে. ...।

১৪।(২য় পক্ষ) ঃ
ওরে, ইন্দ্রের অমরাপুরী কবে গিয়াছিলা?
দিন দশ লক্ষ পুষ্প কবে দেইখাছিলা?
পুরীর কোন দিশেতে গাছ গোটা রয়?
এই কথা বলিয়া দেন মহাশয়,
তা নাহলে সরস্বতীর দোহাই।

১৫।(১ম পক্ষ) ঃ
ওরে, বিন্দু রূপে ঘুরি আমি পিতার মস্তকে,
মাতৃর উদরে আসলাম আমি গুরুর আদেশে,
সপ্ত মাস দেইখাছি গুরুর কৃপায়,
দিবা-নিশি নিদ্রা গেছি সেই গাছ তলায়রে ...।

১৬।(২য় পক্ষ) ঃ
ওরে, কত যোজন উচা গাছ?
কত যোজন মোটা?
কি রঙ্গের পুষ্পটি?
কিবা রঙ্গের গুটারে ...?

১৭।(১ম পক্ষ) ঃ
ওরে, শত যোজন উচা গাছ,
শত যোজন মোটা,
ধবল বর্ণ পুষ্পটি,
ধবল বর্ণের গুটাবে ...।

১৮।(১ম পক্ষ) ঃ
ওরে, ইন্দ্রে রুইয়াছে গাছ,
ডাইল, খোটা শারী,
গৌড়-নিতাই দুই ভাই ডাইলের প্রহরী,
মহাদেব লইলাছে নাম সোঁমরে সোঁমরেরে...।

## গুরু-শিষ্য পালা (বৈষ্ণব মত)

**শিষ্যের উক্তি ঃ**

১। ওরে, আদি গুরু বন্দিলাম প্রভূ নিরঞ্জন,
কৃপা করে পূরাও আমার মনের আকিঞ্চনরে ...।

**শিষ্যের উক্তি ঃ**

২। ওরে, স্থল, পবিত্র, সাধক, সিদ্ধি কোন দেশেতে কর বসতি?
দয়া করে জানাইয়া দেও গুরু তাহার মূল কারণরে ...।

**গুরুর উক্তিঃ**

৩। ওরে, শুন শুন প্রিয় ভক্ত, বলি সত্য সার,
চাইর যুগে বসতি করি, চাইর বেদাচার,
স্থলেতে মাতা গুরু, পিতা গুরু, বলি তব ঠাঁই,
পবিত্রতে শ্রীগুরু হন দয়ার সীমা নাই,
সিদ্ধিতে করে বসতি চৈতন্য গোসাঁই,
সাধকেতে রইল তোমার প্রেম গুরু রাইরে।

**শিষ্যের উক্তি ঃ**

৪। ওরে, শুন শুন অহে গুরু বলি এহিবার,
কয় প্রকার প্রেম তত্ব, বলে দেও আমায়,
কোন প্রেমেতে কোন গুরু রয়,
কিবা নাম তাহাররে ...।

**গুরুর উক্তি ঃ**

৫। ওরে, শুন শুন অহে ভক্ত তত্বের আচার,
সামার্থ্যা প্রেম, সামঞ্জস্য প্রেম আর সামগুা প্রেম থাকে চরাচররে. ...।

**শিষ্যের উক্তি ঃ**

৬। ওরে, শুন শুন অহে গুরু বলিযে তোমায়
কৃষ্ণ নামের অর্থ কি? রাম নামের অর্থ কি?
বলে দেও আমায়রে ....।

**গুরুর উক্তি ঃ**

৭। ওরে, শুন শুন অহে শিষ্য বলিযে তোমারে,
কৃষ্ণ নামেতে মুক্তি হয়, রাম নামেতে হয় রমণরে...।

**শিষ্যের উক্তি ঃ**

৮। ওরে, ভাল ভাল কথা জানালে গোসাঁই,
রমণ হইতে কি হয় জানতে ইচ্ছা হয়রে...।

**গুরুর উক্তি ঃ**

৯। ওরে, শুন শুন অহে ভক্ত সত্য তত্ব বাণী,
রমণ হইতে মিলন নাম বেদের কাহিনীরে...।

## গুরু-শিষ্য পালা (শাক্ত মত)

**শিষ্যের উক্তি ঃ**

১। ওরে, শুন শুন অহে গুরু বলি নামটি ধরে,
শাক্তম ধর্ম কিবা তত্ব বল প্রকাশ করিরে ...।

**শিষ্যের উক্তি ঃ**

২। ওরে, মৎস, মাংস যে করে ভোজন,
তারকি ফল, বল আমার সদনরে ...।

**গুরুর উক্তি ঃ**

৩। ওরে, মাংসতে মাংস বৃদ্ধি, বলিষ্ঠ যে হয়,
সে মাংস খাও তুমি মনে যত লয়রে ....।

**শিষ্যের উক্তি ঃ**

৪। ওরে, মাংসতে কিবা ফল এ তত্ব জানি,
তা নাহলে মৎস-মাংস খাবনাযে আমিরে।
নিশিতে মায়ের পূজা করব বলিদান,
শুক্রাচার্য গুরু তুমি দেওহে বিধানরে ....।

**গুরুর উক্তি ঃ**

৫। ওরে, শুন শুন প্রিয় ভক্ত করহ শ্রবন,
ছাগশিশু বলি দিয়ে করাওহে ভোজন,
মায় যদি খুশী হয় তোমারি মঙ্গল,
তা নাহলে সংসারে জনম বিফলরে ...।

**শিষ্যের উক্তি ঃ**

৬। ওরে, শুন শুন অহে গুরু বলি তব ঠাঁই,
ছাগশিশু যদি আমি নাপাই কোথাও,
তা হ'লে মায়ের পূজা করবার সাধ্য নাইরে ...।

**গুরুর উক্তি ঃ**

৭। ওরে, শুন শুন প্রিয় ভক্ত তোমারে জানাই,
দেহে আছে ছয়টি পাঠা, তোমার জানা নাই।
ওরে, আত্মদান বলিদান কর মায়ের পদে,
চির মুক্তি হইয়ে যাবে মায়ের শ্রীপদেরে ...।

**সহায়ক গ্ৰন্থ ঃ**


ৰয়, ধন্য ৰাম ঃ নমশূদ্ৰৰ দস্তবেজ, টেক্নো এড পাব্লিকেশ্বন, প্ৰথম সংস্কৰণ, ২০১৫


❖❖❖

## মহৎ লোকৰ বাণী

সংগ্ৰাহক ঃ ৰবিন্দ্ৰ বিশ্বাস
দ্বিতীয় ষাণ্মাসিক

কথা কমকৈ ক'বা, কাম বেছিকৈ কৰিবা, আনক উপদেশ কমকৈ দিবা, সজ লোকৰ উপদেশ বেছিকৈ শুনিবা। —ছক্ৰেটিছ।